যজ্ঞ কৰ্ম পুণ্য কৰ্ম, আৰু এই পুণ্য কৰ্মভাগ যিসকলে সম্পাদন কৰে, তেওঁলোকে স্বৰ্গলোক লাভ কৰে। *শতপথব্ৰাহ্মণ*ত স্পষ্টকৈ কৈছে যে প্ৰতিদিনে যজ্ঞ এভাগ সম্পাদন কৰাৰ ফলত যজমানজনৰ স্বৰ্গ লাভ হয়—*অহৰহৰেনং স্বৰ্গস্য লোকস্য গত্যৈ য়ুঙ্ক্তে। অহৰহৰেনেন স্বৰ্গং লোকং গচ্ছতি।*[৩৮] প্ৰসিদ্ধ দাৰ্শনিক পণ্ডিত কুমাৰিলভট্টপাদই স্বৰ্গলোকৰ লক্ষণ বৰ্ণনা কৰি কৈছে— *য়ন্ন দুঃখেন সংভিন্নং ন চ গ্ৰস্তমনন্তৰম্। অভিলাযোপনীতং চ তৎ স্বঃ পদাস্পদম্।*[৩৯] অৰ্থাৎ যিলোকত দুখ নাই, য'ত দুৰ্দশাপ্ৰাপ্ত হ'ব নালাগে, আৰু য'ত মনোৰথ সম্পূৰ্ণ হয়, সেয়াই স্বৰ্গলোক। সেয়েহে, পূৰ্বৰ প্ৰসঙ্গত *স্বৰ্গ* শব্দই আত্যন্তিক সুখ বুজায় বুলি কোৱা হৈছে। যজ্ঞৰদ্বাৰা স্বৰ্গপ্ৰাপ্তি হয় হেতুকে যজ্ঞক *স্বঃ* বুলিও কোৱা হয় — *স্বৰ্গহেতুত্বাদপি স্বঃশব্দেন য়জ্ঞঃ।*[৪০] সেয়েহে, *য়জ্ঞো বৈ সুতৰ্মা নৌঃ* বুলি কোৱা হৈছে *ঐতৰেয়ব্ৰাহ্মণত*।[৪১] অৰ্থাৎ যজ্ঞ হ'ল উত্তম পৰিত্ৰাণকৰ্ত্তা নৌকাস্বৰূপ। যিসকল লোকে জীৱদ্দশাত যজ্ঞীয় কৰ্ত্তব্য নিয়াৰিকৈ পালন কৰে আৰু পুৰোহিতসকলক দান-দক্ষিণাদি মুক্তহস্তে আগ বঢ়ায়, তেওঁলোকৰ স্বৰ্গৱাস হয় বুলি *ঋগ্বেদ*তো কোৱা হৈছে।[৪২] স্বৰ্গলোকত আৰোহণ কৰি এই পুণ্যকৰ্মাসকল তাত নক্ষত্ৰৰূপে বিৰাজ কৰে। নক্ষত্ৰক সেয়েহে *জনি* বুলি কোৱা হয়।[৪৩] প্ৰসিদ্ধ টীকাকাৰ সায়ণাচাৰ্যই *শতপথব্ৰাহ্মণ*ৰ নিৰ্দ্দিষ্ট প্ৰসঙ্গৰ ভাষ্যত কৈছে—*জায়ন্তে জনাঃ পুণ্যকৃতো নক্ষত্ৰৰূপেণেতি জনয়ঃ নক্ষত্ৰাণি।*[৪৪] যিসকলে অগ্নিচয়ন আদি যজ্ঞীয় কৰ্ম সম্পাদন কৰিবলৈ অৱজ্ঞা কৰে, তেওঁলোকে মৃত্যুৰ পিছত বাৰে বাৰে ধৰাধামত জন্ম গ্ৰহণ কৰিব লগীয়া হয়। *ৱাজসনেয়িসংহিতাত* এনে লোকক *ৱীৰহন্* অৰ্থাৎ *নষ্টাগ্নি* বুলি কোৱা হৈছে, আৰু তেনে লোকসকল নৰকপ্ৰাপ্ত হয় বুলি কৈছে।[৪৫]

গতিকে, দেখা গ'ল যে পাপ-পুণ্যৰ ধাৰণাৰ লগত যজ্ঞ এভাগ নিয়াৰিকৈ সম্পন্ন কৰাৰ দিশটো সম্পৃক্ত হৈ আছে।

যজ্ঞ এভাগ সম্পন্ন কৰোঁতে শ্ৰদ্ধাসহকাৰে কৰাৰ বিধান আছে — *স য়ঃ শ্ৰদ্দধানো য়জতে তস্যেষ্টং ন ক্ষীয়তে।*[৪৬] অৰ্থাৎ যিজনে শ্ৰদ্ধা সহকাৰে যজ্ঞ কৰে তেওঁৰ যজ্ঞীয় কৰ্মভাগ ক্ষয়প্ৰাপ্ত নহয়। *শ্ৰীমদ্‌ভগৱদ্‌গীতা*তো কৈছে—*অশ্ৰদ্ধয়া হুতং দত্তং তপস্তপ্তং কৃতং চ য়ৎ। অসদিত্যুচ্যতে পাৰ্থ ন চ তৎপ্ৰেত্য নো ইহ।।*[৪৭] শ্ৰীকৃষ্ণই অৰ্জুনক কৈছে—'হে পাৰ্থ, শ্ৰদ্ধা অবিহনে কৰা যাগ-যজ্ঞ, ব্ৰাহ্মণসকললৈ আগ বঢ়োৱা দান, তপস্যা বা স্তুতি-নমস্কাৰাদি কৃত কৰ্ম — এই সকলো নিৰৰ্থক। এই কৰ্মবিলাকৰ ইহলোক বা পৰলোকত কোনা ফল নাই।' *তৈত্তিৰীয়ব্ৰাহ্মণ*ত এই শ্ৰদ্ধাক দেৱীৰূপে স্তুতি কৰা হৈছে, আৰু শ্ৰদ্ধাক ব্ৰহ্মাৰ প্ৰথম সৃষ্টি বুলি কোৱা হৈছে। এই শ্ৰদ্ধা সমগ্ৰ বিশ্বৰ পোষয়িত্ৰী আৰু প্ৰতিষ্ঠাস্বৰূপ—*শ্ৰদ্ধা দেৱী প্ৰথমজা ঋতস্য। ৱিশ্বস্য ভৰ্ত্ৰী জগতঃ প্ৰতিষ্ঠা।*[৪৮] বেদৰ বিহিত বিধি অনুসৰি এজন আহিতাগ্নি ব্ৰাহ্মণে নিতৌ সপত্নীক অগ্নিহোত্ৰ যাগ সম্পন্ন কৰিব লাগিছিল। ক্ষত্ৰিয় আৰু বৈশ্য বৰ্ণৰ লোকে পুৰোহিত নিযুক্ত কৰি প্ৰতিদিনে এই যজ্ঞকাৰ্য সম্পাদন কৰিছিল। এই অগ্নিহোত্ৰ যাগক *জৰামৰ্য সত্ৰ* বোলা হয়, কাৰণ জৰা বা মৃত্যুৰ বাহিৰে সকলো দিনতে ব্ৰাহ্মণে এই যজ্ঞৰ অনুষ্ঠান সম্পন্ন কৰাৰ বিধান আছিল।[৪৯] অপত্নীকজনৰ অগ্নিহোত্ৰ যাগ কৰাৰ অধিকাৰ নাছিল যদিও *ঐতৰেয়ব্ৰাহ্মণ*ত কোৱা হৈছে যে অপত্নীকজনে মানস হোমৰ জৰিয়তে অগ্নিহোত্ৰ যাগ কৰিব পাৰে। এই মানসহোমত শ্ৰদ্ধা অৰ্থাৎ কৰ্মভাগৰ প্ৰতি শ্ৰদ্ধাই পত্নী, আৰু সত্য অৰ্থাৎ বৈদিক মন্ত্ৰোচ্চাৰণৰূপ সত্য বাক্যই যজমানৰ ভূমিকা গ্ৰহণ কৰে। শ্ৰদ্ধা আৰু সত্যৰ যুগলৰূপে মানস হোমৰ অনুষ্ঠানৰ মাধ্যমেৰে স্বৰ্গলোক-প্ৰাপ্তি হয় বুলি কোৱা হৈছে—*অপত্নীকোঽগ্নিহোত্ৰং কথমগ্নিহোত্ৰং জুহোতি? শ্ৰদ্ধা পত্নী, সত্যং য়জমানঃ, শ্ৰদ্ধা সত্যং, তদিত্যুত্তমং মিথুনং, শ্ৰদ্ধয়া সত্যেন মিথুনেন স্বৰ্গাল্লোকাঞ্জয়তীতি।*[৫০] *ঋগ্‌বেদ*ৰ *শ্ৰদ্ধাসূক্ত*ত কোৱা হৈছে যে এই শ্ৰদ্ধাক হৃদয়ৰ *আকূতি* অৰ্থাৎ সঙ্কল্পৰূপ ক্ৰিয়াৰে লাভ কৰিব পাৰি—*শ্ৰদ্ধাং হৃদয়্যয়াকূত্যা .....।*[৫১]

এভাগ যজ্ঞৰ লগত দক্ষিণাৰ সম্পৰ্ক নিত্য। *গোপথব্ৰাহ্মণ*ত কৈছে যে য'তেই যজ্ঞ ত'তেই দক্ষিণা, আৰু দক্ষিণা য'তেই আছে সেয়াই যজ্ঞ।[৫২] যজ্ঞৰ কোনো আহুতিয়েই দক্ষিণা নোহোৱাকৈ হ'ব নোৱাৰে—*নাদক্ষিণং হৱিঃ।*[৫৩] সেয়েহে, যজমানজনক যথাসাধ্য দক্ষিণা দিবলৈ কোৱা হৈছে ঋত্বিক্‌সকলক। এই দক্ষিণাই যজমানজনৰ মনলৈ শ্ৰদ্ধা ভাৱৰ বিকাশ ঘটায়, আৰু এই শ্ৰদ্ধাৰ জৰিয়তেই যজমানজনে সত্য অৰ্থাৎ পৰম ব্ৰহ্মাৰ সন্ধান লাভ কৰে বুলি কোৱা হৈছে *ৱাজসনেয়িসংহিতা*ত।[৫৪]

যজ্ঞ এভাগ সম্পন্ন কৰাৰ বেলিকা সকলো যজ্ঞীয় কৰ্ম যাতে বিধিমতে সম্পন্ন হয় সেই বিষয়ে যথেষ্ট গুৰুত্ব দিয়া হৈছিল। সেয়েহে, পুৰোহিতসকলৰ কাৰ্যদক্ষতাৰ বিষয়ে *ব্ৰাহ্মণ*সাহিত্যত বহু তথ্য সম্বলিত হৈছে। পুৰোহিতসকলৰ ওপৰতেই যজ্ঞানুষ্ঠানৰ পূৰ্ণতা নিৰ্ভৰ কৰে। *ঐতৰেয়ব্ৰাহ্মণ*ত কৈছে—*ঋত্বিজি হি সৰ্ৱো য়জ্ঞঃ প্ৰতিষ্ঠিতঃ।*[৫৫] যজ্ঞভাগৰ দোষ-ত্ৰুটি হ'লে পুৰোহিতজনো দোষমুক্ত হয়। যজ্ঞৰ ত্ৰুটি-বিচ্যুতিৰ ফলত যজমানজনৰো হানি-বিঘিনি হয়।

*ঐতৰেয়ব্ৰাহ্মণ*ত কোৱা হৈছে যে এজন যজমানে যজ্ঞকৰ্মভাগ সম্পন্ন কৰাৰ বেলিকা *জগ্ধ, গীৰ্ণ* আৰু

*ৱান্ত*সদৃশ ব্ৰাহ্মণক নিযুক্ত কৰিব নালাগে।[৫৬] *জগ্ধ* শব্দৰ অৰ্থ হৈছে ভোজনপাত্ৰত থকা ভক্ষিতাৱশিষ্ট। এই ভক্ষিতাৱশিষ্টৰ দৰে অস্পৃশ্য ব্ৰাহ্মণজনৰ লক্ষণ হৈছে—যিজনে কেৱল ধনাৰ্জনৰ মানসেৰে যজ্ঞশালাত গৈ উপস্থিত হয়। এনে ব্ৰাহ্মণক নিযুক্ত কৰি যদি যজ্ঞীয় কৰ্ম সম্পাদন কৰে, তেনেহ'লে, অস্পৃশ্য ভক্ষিতাৱশিষ্টৰ দৰে তেওঁৰ যজ্ঞকৰ্মও নিষ্ফল হয়।[৫৭] *গীৰ্ণ*পদৰদ্বাৰা বুজোৱা হৈছে যে যেনেকৈ উদৰস্থ আহাৰ পুনৰ্ভোগযোগ্য নহয়, তেনেকৈ যদি এজন যজমানে নিজৰ গাঁৱতে বাস কৰা, প্ৰয়োগকৌশলৰহিত ব্ৰাহ্মণ এজনক, ভীতিগ্ৰস্ত হৈ, অৰ্থাৎ 'এওঁক নিযুক্ত নকৰিলে যজ্ঞকৰ্মৰ কিবা হানি-বিঘিনি ঘটাব পাৰে' বুলি শঙ্কাতে নিযুক্ত কৰে, তেনে যজ্ঞকৰ্মৰো কোনো ফল নহয়।[৫৮] যদি এনে এজন ব্ৰাহ্মণ, যিজন যজ্ঞকৰ্মত নিপুণ, কিন্তু কিবা অপবাদত সকলোৰেদ্বাৰা নিন্দিত হৈছে, তেনে ব্ৰাহ্মণ এজনক যদি স্বকৰ্মাৰ্জিত অপবাদৰপৰা মুক্ত কৰিবলৈ যজমান এজনে নিজৰ যজ্ঞকৰ্ম সম্পন্ন কৰিবলৈ নিযুক্ত কৰে, তেনেহ'লে, *ৱান্ত* অৰ্থাৎ এজন বমি কৰি থকা লোকক দেখি মানুহে যেনেকৈ থু পেলাই ঘৃণা প্ৰকাশ কৰে, তেনেকৈ যজমানজনৰ যজ্ঞকৰ্মভাগো নিকৃষ্ট বুলি বিবেচিত হয়।[৫৯]

যিসকল পুৰোহিত বেদাধ্যয়নসম্পন্ন, তেওঁহে যজ্ঞ এভাগ নিষ্পন্ন কৰাৰ দায়িত্ব ল'ব লাগে, আৰু যথোচিত দক্ষিণা গ্ৰহণ কৰিব লাগে। যিজন ব্ৰাহ্মণৰ বৈদিক শাস্ত্ৰৰ কোনো জ্ঞান নাই তেওঁৰ যজ্ঞকৰ্মত কোনো অধিকাৰ নাই, আৰু তেওঁ কৰ্মভাগৰ বিনিময়ত কোনো দক্ষিণাও গ্ৰহণ কৰিব নোৱাৰে। এই নিয়ম উলঙ্ঘা কৰি বৈদিক কৰ্মত প্ৰবৃত্ত হোৱাজনক প্ৰায়শ্চিত্তৰ বিধান কৰা হৈছে *সামৱিধানব্ৰাহ্মণ*ত।[৬০] এজন নিন্দাৰ্হ পুৰোহিতে যজ্ঞকৰ্মত কেতিয়াও ভাগ ল'ব নোৱাৰে বুলি কোৱা হৈছে। যজ্ঞকৰ্মৰ যি দক্ষিণা যজমানে আগ বঢ়ায়, সেই দ্ৰব্যৰ প্ৰতি পুৰোহিতে কোনো লোভ কৰা অনুচিত বুলি কোৱা হৈছে। এনে লোভ-মোহৰ ঊৰ্দ্ধত থকা পুৰোহিতসকলেহে স্বৰ্গলোক লাভ কৰে।[৬১] এজনে প্ৰত্যাখ্যান কৰা দক্ষিণা আন এজন পুৰোহিতে গ্ৰহণ কৰিব নোৱাৰে; আৰু গ্ৰহণ কৰিলেও তেওঁ সেই দক্ষিণাভাগ তেওঁৰ কোনোবা অপ্ৰিয় বা শত্ৰুস্থানীয় ব্যক্তিক দান কৰিব লাগে।[৬২] পুৰোহিতসকলক দক্ষিণা গ্ৰহণৰ ক্ষেত্ৰত এনেদৰে সংযমশীল হ'বলৈ কোৱা হৈছে।

যজ্ঞৰ সমস্ত দক্ষিণাৰ প্ৰতিভাগী পুৰোহিতসকলক চাৰি ভাগত বিভক্ত কৰা হৈছে। তাৰে ভিতৰত ব্ৰহ্মা, উদ্‌গাতা, হোতা আৰু অধ্বৰ্যু—এই মূল চাৰিজন পুৰোহিতে সমস্ত দক্ষিণাৰ বাৰ শতাংশকৈ প্ৰত্যেকে লাভ কৰে, আৰু তেওঁলোকক *ভাগিনঃ* বুলি কোৱা হৈছে।[৬৩] ব্ৰাহ্মণাচ্ছংসী, প্ৰস্তোতা, মৈত্ৰাবৰুণ আৰু প্ৰতিপ্ৰস্থাতা—এই কেইজন সহযোগী পুৰোহিতে, মূল পুৰোহিতকেইজনে লাভ কৰা দক্ষিণা একোভাগৰ অৰ্ধাংশ লাভ কৰে, অৰ্থাৎ তেওঁলোকৰ প্ৰত্যেকে ছয় শতাংশকৈ দক্ষিণাৰ ভাগ পায়—তেওঁলোকক বোলা হয় *অৰ্ধিনঃ*।[৬৪] পোতা, প্ৰতিহৰ্তা, অচ্ছাৱাক আৰু নেষ্টা—এই সহযোগী পুৰোহিতকেইজনক কোৱা হয় *তৃতীয়িনঃ*,[৬৫] অৰ্থাৎ তেওঁলোকৰ প্ৰত্যেকেই মূল দক্ষিণা একো ভাগৰ এক-তৃতীয়াংশকৈ লাভ কৰে, অৰ্থাৎ তেওঁলোকৰ একোজনে চাৰি শতাংশকৈ দক্ষিণাৰ ভাগ পায়। অগ্নীৎ, সুব্ৰহ্মণ্য, গ্ৰাৱস্তুৎ আৰু উন্নেতা—এই সহযোগী পুৰোহিত কেইজনক *পাদিনঃ*[৬৬] বুলি কোৱা হয়, যিহেতুকে তেওঁলোকে প্ৰত্যেকে মূল দক্ষিণা একোভাগৰ এক-চতুৰ্থাংশ, অৰ্থাৎ একোজনে তিনি শতাংশকৈ দক্ষিণা আহৰণ কৰে। এনেদৰে, এভাগ যজ্ঞত সম্পৃক্ত যোল্লজন পুৰোহিতে নিজৰ নিজৰ কৰ্ত্তব্যৰ ভাৰ অনুসৰি দক্ষিণাৰ ভাগ গ্ৰহণ কৰাৰ বিধান কৰা হৈছে বৈদিক সাহিত্যত।[৬৭] দক্ষিণাক *অন্ন* বুলি কোৱা হয়—*অন্নং দক্ষিণা*,[৬৮] যিহেতুকে পুৰোহিতসকলৰ জীৱিকাই হ'ল দক্ষিণাগ্ৰহণ। এনেদৰে, এই দক্ষিণাৰ

জৰিয়তে সমাজত সুশৃঙ্খলভাৱে সম্পদৰ বিতৰণ কৰা হয় আৰু তাৰ জৰিয়তে জনকল্যাণ সাধিত হয়।

বৈদিক সাহিত্যত, বিশেষকৈ *ব্ৰাহ্মণ, আৰণ্যক, ধৰ্মসূত্ৰ* আৰু *গৃহ্যসূত্ৰ*সমূহত একোজন গৃহস্থক নিতৌ পঞ্চমহাযজ্ঞ কৰাৰ নিৰ্দেশনা দিয়া হৈছে। এই পঞ্চমহাযজ্ঞ হৈছে— ব্ৰহ্মযজ্ঞ, দেৱযজ্ঞ, ভূতযজ্ঞ, পিতৃযজ্ঞ আৰু নৃযজ্ঞ। পঞ্চমহাযজ্ঞ গৃহস্থ এজনে ওৰেটো জীৱন অনুষ্ঠিত কৰাৰ বিধান আছিল, আৰু সেয়েহে এই পঞ্চমহাযজ্ঞক *মহাসত্ৰ* বুলি কোৱা হৈছে—*পঞ্চৈৱ মহাযজ্ঞাঃ/ তান্যেৱ মহাসত্ৰাণি/*[৬৯] সায়ণাচাৰ্যই *শতপথব্ৰাহ্মণ*ৰ ভাষ্যপ্ৰসংগত কৈছে—*ন কেৱলং তেষাং মহাযজ্ঞত্বমাত্ৰম্, অপি তু মহাসত্ৰত্বমেৱেতি বিশিনষ্টি—তান্যেৱেতি/ মহান্তি নিশ্চলানি সত্ৰাণি মহাসত্ৰাণি যাৱজ্জীৱমনুষ্ঠেয়ত্বাদৃত্বিগনপেক্ষত্বাচ্চ/*[৭০] পঞ্চমহাযজ্ঞৰ অনুষ্ঠান কৰিবলৈ কোনো ঋত্বিক্ অৰ্থাৎ পুৰোহিত নিয়োগ কৰিব লগীয়া নহৈছিল, গৃহস্থই নিজেই নিত্যকৰ্ম হিচাপে এই পঞ্চমহাযজ্ঞৰ অনুষ্ঠান কৰিছিল।

পঞ্চমহাযজ্ঞৰ অন্যতম ব্ৰহ্মযজ্ঞৰদ্বাৰা গৃহস্থ এজনে প্ৰতিদিনে নিজৰ নিজৰ শাখা অনুযায়ী *স্বাধ্যায়,* অৰ্থাৎ বেদ অধ্যয়ন কৰাৰ বিধান আছিল। *শতপথব্ৰাহ্মণ*ত কৈছে— *স্বাধ্যায়ো বৈ ব্ৰহ্মযজ্ঞঃ/*[৭১] সায়ণাচাৰ্যই ভাষ্যপ্ৰসংগত কৈছে—*স্বশাখাধ্যয়নং ব্ৰহ্মযজ্ঞঃ/ তৈত্তিৰীয়োপনিষদত* সন্নিৱিষ্ট, সমাৱৰ্ত্তন কালত আগ বঢ়োৱা গুৰুৰ উপদেশবাণীত, গাৰ্হস্থ্য ধৰ্মত প্ৰবৃত্ত হ'বলৈ উদ্যত হোৱা স্নাতকজনক কোৱা হৈছে— *স্বাধ্যায়ান্ মা প্ৰমদঃ।/*[৭২] দেৱযজ্ঞৰ অনুষ্ঠানত দেৱতাসকলক *স্বাহা* বচনেৰে প্ৰতিদিনে অগ্নিত পুৰোডাশ আদি হৱিৰ্দ্ৰব্যৰ আহুতি দিবলৈ কোৱা হৈছে।[৭৩] এই হৱিৰ্দ্ৰব্য অবিহনে অকল এটুকুৰা সমিধ আহুতি দিলেই দেৱযজ্ঞ সাধিত হয় বুলি কোৱা হৈছে।/[৭৪] ভূতযজ্ঞৰ প্ৰধান উদ্দেশ্য হৈছে পাৰিপাৰ্শ্বিকতাত থকা মনুষ্যেতৰ সকলো প্ৰাণীলৈ *বলি* আগ বঢ়োৱা। সেয়েহে *মনুস্মৃতি*ত কৈছে—*বলিৰ্ভৌতো/*[৭৫] *শতপথব্ৰাহ্মণ*তো কোৱা হৈছে—*অহৰহঃ ভূতেভ্যো বলিং হৰেৎ/*[৭৬] *ইদং ভূতেভ্যঃ*—এই সংকল্প গ্ৰহণ কৰি গৃহস্থই প্ৰাণীসমূহৰ উদ্দেশ্যে নিতৌ *বলিহৰণ* অৰ্থাৎ *বলি* আগ বঢ়াব লাগে।/[৭৭] পিতৃযজ্ঞৰ অনুষ্ঠানৰ জৰিয়তে পিতৃপুৰুষসকললৈ কৃতজ্ঞতাৰ ভাৱেৰে শ্ৰদ্ধা জনোৱা হয়, আৰু পিতৃপুৰুষসকল এই তৰ্পণ বা শ্ৰাদ্ধৰ জৰিয়তে তুষ্ট হয়। সেয়েহে, এজন গৃহস্থক প্ৰতিদিনে *স্বধা*বচনেৰে পিতৃপুৰুষসকললৈ জলতৰ্পণ কৰিবলৈ কোৱা হৈছে—*অহৰহঃ স্বধা কুৰ্যাদোদপাত্ৰাৎ/*[৭৮] নৃযজ্ঞকে অতিথিযজ্ঞ বা মনুষ্যযজ্ঞ বুলিও কোৱা হয়।[৭৯] অতিথিযজ্ঞৰ জৰিয়তে অভ্যাগত অতিথিসকলৰ সেৱা-সৎকাৰ কৰা হয়। ভাৰতীয় সংস্কৃতিত গাৰ্হস্থ্য জীৱনৰ এক অবিচ্ছেদ্য অংগ হৈছে অতিথিপূজন। অতিথিক সেয়েহে দেৱতাৰ দৰে পূজা-সেৱা কৰিবলৈ কোৱা হৈছে—*অতিথিদেৱো ভৱ/*[৮০] *অথৰ্ববেদ*ত কোৱা হৈছে যে এজন গৃহস্থই অতিথিসকলৰ সেৱাৰ্চনা কৰিহে নিজৰ আহাৰ গ্ৰহণ কৰা উচিত, অন্যথা তেওঁৰ গাৰ্হস্থ্যধৰ্ম পালনত ব্যাঘাত জন্মে।[৮১] সেয়েহে, অতিথিপূজনৰদ্বাৰা গৃহস্থই ধন, যশ, আয়ুস্ আৰু স্বৰ্গসুখ লাভ কৰে বুলি কোৱা হৈছে *মনুস্মৃতি*ত।[৮২] এনেদৰে, এই পঞ্চমহাযজ্ঞৰ অনুষ্ঠানৰ জৰিয়তে এজন গৃহস্থক নিজৰ কৰ্তব্য-জ্ঞান, আচাৰ-ব্যৱহাৰ, সমাজৰ প্ৰতি দায়বদ্ধতা, সকলো জীৱৰ প্ৰতি দয়া—আদি দিশত সমৃদ্ধ হ'বলৈ উদ্বুদ্ধ কৰা হৈছে। সেয়েহে, এজন পুৰুষৰ সমগ্ৰ জীৱনটোকে যজ্ঞ বুলি কোৱা হৈছে *ছান্দোগ্যোপনিষদত—পুৰুষো ৱাৱ যজ্ঞঃ।*[৮৩] এই জীৱনৰ বিভিন্ন স্তৰত, তেওঁ আচৰণ কৰা তপঃ, দান, সাধুতা, অহিংসা, সত্যবাদিতা আদি তেওঁৰ জীৱন জোৰা যজ্ঞৰ দক্ষিণাস্বৰূপ বুলি কোৱা হৈছে।[৮৪]

এনেদৰে, বৈদিক সাহিত্যত প্ৰতিফলিত যজ্ঞানুষ্ঠানৰ ধ্যান-ধাৰণাসমূহ অনুধাৱন কৰিলে এই কথা মনোগোচৰ

হয় যে যজ্ঞানুষ্ঠানৰ মাধ্যমেৰে মানুহৰ আধ্যাত্মিক সমৃদ্ধি, মানসিক উৎকৰ্ষ, সামাজিক ভূমিকা আদিৰ দিশত যথোচিত গুৰুত্ব আৰোপ কৰা হৈছে, আৰু সেয়েহে, বৈদিক যজ্ঞানুষ্ঠানৰ অন্তৰালত এক গভীৰ তাৎপৰ্য আৰু ত্যাগাত্মক আদৰ্শ নিহিত হৈ আছে বুলি দৃঢ়ভাৱে প্ৰতিপন্ন হয়।

**পাদটীকা ঃ**

১। *শতপথব্ৰাহ্মণ,* ১/৭/১/৫; *তৈত্তিৰীয়ব্ৰাহ্মণ,* ৩/২/১/৪

২। *মহীধৰভাষ্য, ৱাজসনেয়িসংহিতা,* ১/১

* প্ৰকৃষ্টৰ উপৰিও পুনঃপ্ৰকৰ্ষ বুজালে আতিশায়নিক প্ৰত্যয়ৰ পুনৰায় প্ৰয়োগ হয়। এনে অৰ্থতে *শ্ৰেষ্ঠতম* শব্দৰ প্ৰয়োগ হৈছে। *মহাভাৰততো* কৈছে—*ন মানুষাচ্ছ্ৰেষ্ঠতৰং হি কিঞ্চিৎ* (১২/২৯৯/২০)।

দ্ৰষ্টব্য, Śrīśa Chandra Vasu (ed.), *The Siddhāntakaumudī of Bhaṭṭojidīkṣita,* Vol. I, MLBD, Delhi, 2003, Notes on *Sūtra* No. 2001, अतिशायने तमबिष्ठनौ (*Aṣṭādhyāyī,* 5.3.55), p.966

৩। *স য়দস্মাল্ লোকাদেৱংৱিৎ প্ৰৈতি তস্য প্ৰাণেন সহ সুকৃতমুৎক্ৰামতি শৰীৰেণ সহ দুষ্কৃতং হীয়তে। জৈমিনীয়ব্ৰাহ্মণ,* ১/১৫

৪। *শতপথব্ৰাহ্মণ,* ১/৭/২/১-৫; তুলনীয়, *তৈত্তিৰীয়সংহিতা,* ৬/৩/১০/৫

৫। তুলনীয়, *ঋগ্‌ৱেদ,* ১/৬৩/২; ৫/৪/৫,৬

৬। *শতপথব্ৰাহ্মণ,* ১১/২/৬/১৩

৭। *কৌষীতকীব্ৰাহ্মণ,* ১৪/১

৮। *জৈমিনীয়ব্ৰাহ্মণ,* ৩/৪৮

৯। *শতপথব্ৰাহ্মণ,* ৩/৬/২/১৫

১০। *শতপথব্ৰাহ্মণ,* ১৪/৩/২/১

১১। *অয়জ্ঞিয়ো হতৱৰ্চা ভৱতি নৈনেন হৱিৰত্তৱে। অথৰ্ৱৱেদ,* ১২/২/৩৭

১২। *মহান্ দেৱো য়দ্‌য়জ্ঞ এষু ...... । গোপথব্ৰাহ্মণ,* ২/১৬

১৩। *শ্ৰীমদ্‌ভগৱদ্‌গীতা,* ৩/১৫

১৪। *নিৰুক্ত,* ৩/১৯

১৫। উক্ত গ্ৰন্থ, যথোক্ত স্থান

১৬। *বহুকৃষ্ণাজিন ইত্যৌপমন্যৱঃ।* উক্ত গ্ৰন্থ, যথোক্ত স্থান

১৭। *শতপথব্ৰাহ্মণ,* ৩/৯/৪/২৩

১৮। *য়জয়াচয়তৱিচ্ছপ্ৰচ্ছৰক্ষো নঙ্। অষ্টাধ্যায়ী,* ৩/৩/৯০

১৯। আনন্দৰাম বৰুৱা (সম্পা.), *ধাতুবৃত্তিসাৰঃ,* অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, ১৯৭৭, পৃ. ৩০

২০। *ঋগ্বেদ*, ১০/১২৫/২

২১। তুলনীয়,

(ক) *যাদৃগির বৈ দেৱেভ্যঃ কৰোতি তাদৃগিৰাস্মৈ দেৱাঃ কুৰ্বন্তি। ঐতৰেয়ব্ৰাহ্মণ*, ৩/৬

(খ) *যাদৃগ্ অহ বৈ মনুষ্যো দেৱেভ্যঃ কৰোতি তাদৃগস্মৈ দেৱাঃ কুৰ্বন্তি। জৈমিনীয়ব্ৰাহ্মণ*, ২/৩৮৬; ৩৯০

২২। *শ্ৰীমদ্ভগৱদ্গীতা*, ৩/১১

২৩। *ৱাজসনেয়িসংহিতা*, ২০/১২

২৪। *জৈমিনীয়ব্ৰাহ্মণ*, ১/১১৬

২৫। উক্ত গ্ৰন্থ, ১/২৩৩

২৬। *এতাসামেৱ তদ্দেৱতানাং য়জমানং সায়ুজ্যং সৰূপতাং সলোকতাং গময়তি ..... । ঐতৰেয়ব্ৰাহ্মণ*, ৮/৬

২৭। *সায়ুজ্যং সহৱাসং সৰূপতাং সমানশৰীৰত্বং সলোকতামেকলোকাৱস্থানং চ প্ৰাপয়তি। সায়ণভাষ্য*, যথোক্ত স্থান

২৮। *নিৰুক্ত*, ১/৮

২৯। *ঐতৰেয়ব্ৰাহ্মণ*, ১/২

৩০। *কাত্যায়নশ্ৰৌতসূত্ৰ*, ১/২/২

৩১। *শতপথব্ৰাহ্মণ*, ৬/২/২/২০

৩২। *ৱিদ্যাধৰশৰ্মাকৃতসৰলবৃত্তি, কাত্যায়নশ্ৰৌতসূত্ৰ*, ১/২/২

৩৩। *ঋগ্বেদ*, ১/১৬৪/৩৫

৩৪। *বৈশ্বদেৱেন বৈ প্ৰজাপতিঃ প্ৰজা অসৃজত। তৈত্তিৰীয়ব্ৰাহ্মণ*, ১/৬/২/১

৩৫। *মনুস্মৃতি*, ৩/৭৬

৩৬। *শ্ৰীমদ্ভগৱদ্গীতা*, ৩/১৪

৩৭। উক্ত গ্ৰন্থ, ১৮/৫

৩৮। *শতপথব্ৰাহ্মণ*, ৯/৪/৪/১৫

৩৯। *টুপ্টীকা, মীমাংসাসূত্ৰ*, ৪/৩/১৫

৪০। *মহীধৰভাষ্য, ৱাজসনেয়িসংহিতা*, ১/১১

৪১। *ঐতৰেয়ব্ৰাহ্মণ*, ৩/২

৪২। *ঋগ্বেদ*, ১/১২৫/৫,৬; ১০/১৫৪/৩

৪৩। *শতপথব্ৰাহ্মণ*, ৬/৫/৪/৮

৪৪। *সায়ণভাষ্য*, যথোক্ত স্থান

৪৫। *নৰকায় ৱীৰহণম্।* *ৱাজসনেয়িসংহিতা,* ৩০/৫, *দ্রষ্টব্য, মহীধৰভাষ্য,* যথোক্ত স্থান

৪৬। *কৌষীতকীব্রাহ্মণ,* ৭/৪

৪৭। *শ্রীমদ্‌ভগৱদ্‌গীতা,* ১৭/২৮

৪৮। *তৈত্তিৰীয়ব্রাহ্মণ,* ৩/১২/২

৪৯। *শতপথব্রাহ্মণ,* ১২/৪/১/১

৫০। *ঐতৰেয়ব্রাহ্মণ,* ৩২/৯

৫১। *ঋগ্‌ৱেদ,* ১০/১৫১/৪

৫২। *যত্র হ্যেৱ যজ্ঞস্তদ্ দক্ষিণা যত্র ৱৈ দক্ষিণাস্তদ্ যজ্ঞ ইতি .....।* *গোপথব্রাহ্মণ,* ১/৩৩

৫৩। *শতপথব্রাহ্মণ,* ১১/১/৩/৭

৫৪। *দক্ষিণা শ্রদ্ধামাপ্নোতি শ্রদ্ধয়া সত্যমাপ্যতে।*

*ৱাজসনেয়িসংহিতা,* ১৯/৩০

৫৫। *ঐতৰেয়ব্রাহ্মণ,* ৯/৮

৫৬। *ত্রীণি হ ৱৈ যজ্ঞে ক্রিয়ন্তে — জগ্ধং গীর্ণং ৱান্তম্।* *তদ্ধৈতদেৱ জগ্ধং .... তদ্ধ তৎপৰাঙেৱ যথা ৱান্তং ন হৈৱ তদ্ যজমানং ভুনক্তি।* *ঐতৰেয়ব্রাহ্মণ,* ১৫/২

৫৭। *সায়ণভাষ্য,* যথোক্ত স্থান

৫৮। *সায়ণভাষ্য,* যথোক্ত স্থান

৫৯। *সায়ণভাষ্য,* যথোক্ত স্থান

৬০। *সামৱিধানব্রাহ্মণ,* ১/৫/১১

৬১। *দক্ষিণাসু ত্বেৱ ন সম্ৱদিতৱ্যম্।* *সম্ৱাদেনৈৱর্ত্বিজোঽহলোকা ইতি।*

*শতপথব্রাহ্মণ,* ৯/৫/২/১৬

৬২। *তস্মাদাহুর্ন নিবৃত্তদক্ষিণাং প্রতিগৃহ্ণীয়াৎ—যদি ত্বেনাং প্রতিগৃহ্ণীয়াদপ্রিয়ায়ৈৱ ভ্রাতৃৱ্যায় দদ্যাৎ ....।*

*ঐতৰেয়ব্রাহ্মণ,* ৩০/৯; *তুলনীয়, শতপথব্রাহ্মণ,* ৩/৫/১/২৫

৬৩। *যথাৰম্ভং দ্বাদশদ্বাদশাদ্যেভ্যঃ .......।* *কাত্যায়নশ্রৌতসূত্র,* ১০/২/২৪

*ঋতিজঃ প্রকৃত্যৈৱং শ্রূয়তে—'ভাগিনঃ অর্ধিনঃ, তৃতীয়িনঃ পাদিনঃ' ইতি।* *কর্কভাষ্য, যথোক্ত স্থান*

৬৪। *ষৎ ষড় দ্বিতীয়েভ্যস্ ......।*

*কাত্যায়নশ্রৌতসূত্র,* ১০/২/২৪

৬৫। *চতস্রস্ চতস্রস্ তৃতীয়েভ্যস্ ........।*যথোক্ত স্থান

৬৬। *তিস্রস্ তিস্র ইতৰেভ্যঃ।* যথোক্ত স্থান

৬৭। *প্ৰতিৰিভাগো ৱা কৰ্মপ্ৰাধান্যাৎ।* উক্ত গ্ৰন্থ, ১০/২/২৩

৬৮। *ঐতৰেয়ব্ৰাহ্মণ,* ২৬/৩

৬৯। *শতপথব্ৰাহ্মণ,* ১১/৫/৬/১

৭০। *সায়ণভাষ্য,* যথোক্ত স্থান

৭১। *শতপথব্ৰাহ্মণ,* ১১/৫/৬/৩

৭২। *তৈত্তিৰীয়োপনিষদ্,* ১/১১

৭৩। *অহৰহঃ স্বাহা কুৰ্যাদা কাষ্ঠাৎ। শতপথব্ৰাহ্মণ,* ১১/৫/৬/২

৭৪। *য়দগ্নৌ জুহোত্যপি সমিধং তদ্দেৱয়জ্ঞস্ সংতিষ্ঠতে।*
*তৈত্তিৰীয়াৰণ্যক,* ২/১০

৭৫। *মনুস্মৃতি,* ৩/৭০

৭৬। *শতপথব্ৰাহ্মণ,* ১১/৫/৬/২

৭৭। দ্ৰষ্টব্য, *সায়ণভাষ্য,* যথোক্ত স্থান

৭৮। *শতপথব্ৰাহ্মণ,* ১১/৫/৬/২

৭৯। (ক) *নৃয়জ্ঞোঽতিথিপূজনম্। মনুস্মৃতি,* ৩/৭০
(খ) *অতিথিপূজনং মনুষ্যয়জ্ঞঃ। কুল্লুকভাষ্য,* যথোক্ত স্থান

৮০। *তৈত্তিৰীয়োপনিষদ্,* ১/১১

৮১। *কীৰ্ত্তিং ৱা এষ য়শশ্চ গৃহাণামশ্নাতি য়ঃ পূৰ্ৱোঽতিথেৰশ্নাতি। অথৰ্ৱৱেদ,* ৯/৮/৫

৮২। *ধন্যং য়শস্যমায়ুষ্যং স্বৰ্গ্যং ৱাতিথিপূজনম্। মনুস্মৃতি,* ৩/১০৬

৮৩। *ছান্দোগ্যোপনিষদ্,* ৩/১৬/১

৮৪। *অথ য়ত্তপো দানমাৰ্জৱমহিংসা সত্যৱচনমিতি তা অস্য দক্ষিণাঃ।* উক্ত গ্ৰন্থ, ৩/১৭/৪

# মূদ্ৰাৰাক্ষস ঃ সংস্কৃত সাহিত্যত এখন ব্যতিক্ৰমধৰ্মী নাটক
# Mudrārākṣhasa: an off-beat Drama in Sanskrit Literature

**Dr. Nandita Sarmah**

**Abstract**

Dramatist Viśākhādatta has a specific position in Sanskrit literature due to his unique style of writing. He wrote three books viz. Devīchandraguptam, Abhisārikavaṇchitakam and Mudrārākṣhasam. But, he is mostly famous for his drama Mudrārākṣhasam, which means the signet ring of Rākṣhasa. There are seven acts in this drama and it gives the description of Nanda dynasty, his minister Rākṣhasa, who was a brahmana with expert in skill of diplomacy. This drama also narrates the political intrigues of Chānakya, the minister of Chandragupta. The animated expressions and impressive explanations generally found in Viśākhādatta's writings, along with his great knowledge of the Nātyaśāstra, Jyotiśāstra, Arthaśāstras etc. is also observed in the Mudrārākṣhasam.

However, this drama is unique in many aspects regarding the majority of Sanskrit plays i.e., it is a purely political drama with diverse characters, the absence of any of the recognized dramatic sentiments, absence of female characters, the complete absence of emotions such as love and humor etc. In this paper, a humble attempt is made to bring out the discrepancy of this drama from other Sanskrit plays.

**Keywords:** Mudrārākṣhasam, Viśākhādatta, Chānakya, Rākṣhasa.

সংস্কৃত সাহিত্যত বিশাখাদত্তৰ মূদ্ৰাৰাক্ষস এখন অতি জনপ্ৰিয় নাটক। এই নাটকখন ৰচনাৰ যোগেদিয়েই লিখকে নিজৰ অমৰকীৰ্তি যুগমীয়া কৰি থৈ গৈছে। তেওঁৰ দ্বাৰা ৰচিত আন দুখন নাটক হ'ল "দেৱীচন্দ্ৰগুপ্তম্" আৰু "অভিসাৰিকবঞ্চিতকম্"। কিন্তু এই দুখন নাটকে মূদ্ৰাৰাক্ষসৰ দৰে পাঠকৰ মাজত সমাদৰ নাপালে। "মূদ্ৰয়া গৃহীতং ৰাক্ষসমধিকৃতকৃতোগ্ৰন্থঃ মূদ্ৰাৰাক্ষসম্" — এই নিয়মানুসৰি নাটকৰ কাহিনীৰ লগত সংগতি ৰাখি নাটকৰ নাম মূদ্ৰাৰাক্ষস নিৰূপণ কৰা হৈছে। বস্তুতঃ উক্ত নাটকখনৰ মুখ্য চৰিত্ৰসমূহ হ'ল চাণক্য, চন্দ্ৰগুপ্ত, ৰাক্ষস আদি। এই নাটকখন নন্দবংশৰ মহামাত্য ৰাক্ষসক কেন্দ্ৰ কৰি ৰচিত, যিয়ে ৰজা নন্দৰ বাহিৰে আন কোনো

ৰজাক স্বীকাৰ কৰিবলৈ বিচৰা নাছিল কিন্তু চাণক্যৰ কূটকৌশলৰ ওচৰত সেও মানি শেষত চন্দ্ৰগুপ্তৰ মন্ত্ৰীত্ব স্বীকাৰ কৰি লয়।

উক্ত নাটকখনত ৰচক বিশাখাদত্তই সমাজৰ প্ৰত্যেক শ্ৰেণীৰ লোকৰ বৰ্ণনা কৰিবলৈ চেষ্টা কৰিছে। সপ্তাংকবিশিষ্ট এই নাটকৰ মুখ্য বিষয়বস্তু হ'ল নন্দবংশৰ বিনাশ আৰু মৌৰ্য্য সাম্ৰাজ্য স্থাপন আৰু চাণক্যৰ উৎকৰ্ষ সাধন। সাধাৰণভাৱে নিৰীক্ষণ কৰিলে এইখন ৰাজনীতি বিষয়সম্বলিত সাধাৰণ সংস্কৃত নাটক। কিন্তু লিখকৰ বুদ্ধি বিচক্ষণতা, প্ৰতিভাৰ প্ৰকাশ পোৱা যায় নাটকৰ বৈশিষ্ট্যসমূহ অনুধাৱন কৰিলে। সেই বৈশিষ্ট্যসমূহ হ'ল—

**১। ই এখন সম্পূৰ্ণ ৰাজনীতি বিষয়বস্তু সম্বলিত নাটক ঃ**

সংস্কৃত অলংকাৰ শাস্ত্ৰৰ মতে নাটকৰ কাহিনী ভাগ সাধাৰণ লৌকিক কিংবদন্তি বা ৰামায়ণ, মহাভাৰত আদিৰ দৰে মহাকাব্যৰ আধাৰত ৰচনা কৰা হ'ব লাগে।[১]

কিন্তু মূদ্ৰাৰাক্ষস নাটকৰ বিষয়বস্তু ৰুক্ষ ইতিহাসৰ বাস্তৱতাৰ ওপৰত আধাৰিত। সাধাৰণ সংস্কৃত নাটকৰ দৰে এই নাটকখনত শৃংগাৰ ৰসৰ অনুভূতিৰ ভাৱ প্ৰৱণতা ইয়াত দেখিবলৈ পোৱা নাযায়। ইয়াৰ মুখ বিষয়বস্তু বা কাহিনী হ'ল বিখ্যাত নন্দবংশৰ অৱসান ঘটাই মুৰাৰ পুতেক চন্দ্ৰগুপ্তই মৌৰ্য্য বংশৰ প্ৰতিষ্ঠা লাভ কৰা আৰু নন্দবংশৰ বিশ্বস্ত প্ৰধানমন্ত্ৰী ৰাক্ষসৰ চন্দ্ৰগুপ্তৰ প্ৰতি অনুগত কৰি চন্দ্ৰগুপ্তৰ শাসন মানি লোৱা। তাৰবাবেই চাণক্যই বুদ্ধি কৌশল, কূটনীতিৰ আশ্ৰয় লৈ ৰাক্ষসক হৰুৱাই চন্দ্ৰগুপ্তৰ আনুগত্য স্বীকাৰ কৰোৱাইহে এৰে। সেয়েহে সংস্কৃত নাট্য সাহিত্যৰ দিশৰ পৰা মূদ্ৰাৰাক্ষসক সাধাৰণ প্ৰণয়ব্যঞ্জক নাটকৰ দৰে বিচাৰ কৰিব নোৱাৰি। ইয়াৰ মূল ঘটনাই ইতিহাসৰ সভ্যতাক ৰক্ষা কৰাৰ বাবে নাটকৰ চৰিত্ৰসমূহ যেনে—চাণক্য, চন্দ্ৰগুপ্ত, নন্দ, ৰাক্ষস, মলয়কেতু, ভাগুৰায়ণ আদি ইতিহাসৰ এক জীৱন্ত চৰিত্ৰ। আনহাতে নাটকত বৰ্ণিত ঘটনাস্থলীসমূহ যেনে—মগধ, পাটলিপুত্ৰ আদিও ইতিহাস প্ৰসিদ্ধ। ইয়াৰোপৰি নাটকৰ মূল কাহিনীৰ লগত সংগতি ৰাখি খ্ৰীষ্টপূৰ্ব দ্বিতীয় শতিকাৰ শক, যৱনাদি অন্যান্য প্ৰান্তীয় ৰজা-মহাৰজাৰ লগতে তেওঁলোকৰ ৰাজ্যবিলাকৰ এক ৰাজনৈতিক আলেখ্যৰ বিষয়ে এই গ্ৰন্থত বৰ্ণনা পোৱা যায়।[২]

পুনৰ নাটকত বৰ্ণিত যুদ্ধশিবিৰৰ বৰ্ণনা, সেনা বাহিনীৰ উদ্দাম উদ্দীপনা তথা সেনাপতিসকলৰ সেনাধ্যক্ষৰ আলোচনা বিলোচনা, নীতিবিষয়ক ৰণ কৌশলাদিৰ প্ৰশিক্ষণ, চন্দ্ৰগুপ্তৰ সমৰ অভিযান আদিৰ বৰ্ণনাৰ যোগেদি ই এখন সফল ৰাজনৈতিক বিষয়বস্তু সম্বলিত নাটক বুলিহে ক'ব পাৰি। ইয়াৰোপৰি নাট্যকাৰে এই নাটকখনিত ৰাজনৈতিক ব্যাপকতাৰ ব্যৱহাৰিক জ্ঞানক বিভিন্ন ঘটনা আৰু চৰিত্ৰৰ মাজেদি প্ৰকাশ কৰিছে। মহামন্ত্ৰী চাণক্যৰ কথোপকথনৰ দ্বাৰা ৰাজনীতিৰ কুটিল মন্ত্ৰণাৰ বৰ্ণনা দেখিবলৈ পোৱা যায়। সেয়েহে শত্ৰু হ'লেও ৰাক্ষসে তেওঁৰ গুণ বখানিছিল।[৩] তাৰোপৰি, সমসাময়িক কালৰ ৰাজনৈতিক চোৰাংচোৱা আৰু অনুসন্ধান ব্যৱস্থাৰ সুন্দৰ বৰ্ণনা পোৱা যায়। লগতে প্ৰয়োজনসাপেক্ষে চোৰাংচোৱাই কেনেকৈ বিভিন্ন সাজ-পোচাক পৰিধান কৰে সাপ বাজিকৰৰ চৰিত্ৰৰ যোগেদি ইয়াৰ সুন্দৰ প্ৰতিফলন দেখা যায়।[৪]

**২। নায়িকাহীনতা ঃ**

সাধাৰণতে, সংস্কৃত নাটকসমূহত শৃংগাৰ বীৰ ৰসেই মুখ্য ৰস হিচাপে অলংকাৰ শাস্ত্ৰৰ নিয়মানুসৰি থাকিব লাগে।[৫] লগতে সংস্কৃত নাটকবিলাক প্ৰণয়প্ৰধান। কিন্তু মূদ্ৰাৰাক্ষস নাটকখনত নায়িকাবিহীন হোৱাৰ বাবে শৃংগাৰ ৰসৰ প্ৰভাৱ অল্পমাত্ৰও দেখা পোৱা নাযায়, কেৱল নাটকৰ শেষ পৰ্য্যায়ত বধ্যভূমিত সদাগৰ চন্দন

দাসৰ পত্নীয়েই স্ত্ৰীচৰিত্ৰ বৰ্ণিত হৈছে আৰু মলয়কেতুৰ দ্বাৰপালিকা বিজয়া আৰু চন্দ্ৰগুপ্তৰ দ্বাৰপালিকা শোনোত্তৰাৰ চৰিত্ৰৰ যোগেদি স্ত্ৰীচৰিত্ৰৰ প্ৰৱেশ কম-বেছি পৰিমাণে পোৱা যায়।[৭] ইয়াৰোপৰি, এই নাটকত নায়ক-নায়িকাৰ মধুৰ প্ৰেমালাপৰ বৰ্ণনা, লগতে হাস্যৰস সৃষ্টিৰ বাবে বিদূষকৰ চৰিত্ৰ আদিৰ বৰ্ণনা দেখিবলৈ পোৱা নাযায়। কেৱল মাত্ৰ নন্দৰ মন্ত্ৰী ৰাক্ষসক কৰায়ত্ত কৰাৰ বাবে তেওঁৰ প্ৰতিদ্বন্দ্বী চাণক্যই নানা ধৰণৰ চোৰাংচোৱা, স্তুতিপাঠত পাৰ্গত বৈতালিক আদিৰ সহায় লোৱাৰহে বৰ্ণনা পোৱা যায়।[৮]

সাধাৰণতে, সংস্কৃত নাটকত কোনো অভিজ্ঞান বা প্ৰতীকৰ সহায়লৈ নায়ক-নায়িকাৰ মিলন ঘটোৱা দেখা যায়। উদাহৰণস্বৰূপে - অভিজ্ঞানশাকুন্তলম্ নাটক। কিন্তু বিশাখাদত্তৰ এই নাটকত মুদ্ৰাঙ্কিত পত্ৰৰ দ্বাৰা মিলনৰ পৰিবৰ্তে শত্ৰুক অধীনলৈ অনা কৌশলহে প্ৰয়োগ কৰা দেখা যায়।[৯]

**৩। এখন বীৰত্ব ব্যঞ্জক নাটক ঃ**

সাহিত্য দৰ্পণৰ মতে নাটকৰ মুখ্য ৰস হ'ল - শৃংগাৰ ৰস অথবা বীৰ ৰস।[১০] বিশাখাদত্তৰ মুদ্ৰাৰাক্ষস নাটকত বীৰ ৰসৰ প্ৰভাৱেই বেছি দেখা যায়। অমাত্য, চাণক্যৰ কথোপকথনৰৰ, ৰজা, সেনাপতিৰ বীৰত্বব্যঞ্জক বক্তব্য, যুদ্ধশিবিৰত সেনাবাহিনীৰ উদ্যম-উদ্দীপনাৰ বৰ্ণনা,[১২] সৈন্যবাহিনীক সেনাধ্যক্ষৰ নিয়ন্ত্ৰণ, বিভিন্ন ৰণকৌশলৰ প্ৰশিক্ষণ আদিৰ দ্বাৰা এই নাটকত শৃংগাৰ ৰসৰ পয়োভৰতকৈ বীৰ ৰসৰ সোৱাদেই বেছি পোৱা যায়।[১৩]

**৪। চৰিত্ৰসমূহৰ বিচিত্ৰতা ঃ**

মুদ্ৰাৰাক্ষস নাটকখনৰ আন এক বিশেষত্ব হ'ল চৰিত্ৰসমূহৰ বিচিত্ৰতা। চন্দ্ৰগুপ্তৰ মহামন্ত্ৰী চাণক্যই বিভিন্ন লোকক নিযুক্ত কৰাৰ পৰা এই কথাৰ স্পষ্ট প্ৰতিফলন ঘটা দেখিবলৈ পোৱা যায়।[১৪] ইয়াত ৰজা চন্দ্ৰগুপ্ত, মলয়কেতু, ৰজা নন্দ আদিৰ মন্ত্ৰী ৰাক্ষস, চাণক্য আদিৰ বাহিৰেও সাধাৰণ শ্ৰেণীৰ লোক যেনে—স্বৰ্ণকাৰ, চন্দন দাস, ভাগুৰায়ণ, চণ্ডালবেশধাৰী সিদ্ধাৰ্থক, শকটদাস, নিপুণক আদিৰ চৰিত্ৰ বৰ্ণিত হৈছে। নাট্যকাৰে এই চৰিত্ৰসমূহক নিখুঁতভাৱে উপস্থাপন কৰিছে। ইয়াৰে ৰাক্ষসৰ গুপ্তচৰ আহিতুণ্ডিক বা সাপবাজিকৰ চৰিত্ৰ অতি গুৰুত্বপূৰ্ণ হিচাপে চিহ্নিত হৈছে।[১৫] লগতে গুপ্তচৰে কেনেকৈ নিজৰ বিচক্ষণতাৰে সমাজৰ সকলো খা-খবৰ লৈ আনি আনক কৃতাৰ্থ কৰে, কিন্তু নিজৰ যে একো লাভ-লোকচান চিন্তা নকৰে এই বিষয়ে আহিতুণ্ডিকৰ ৰাক্ষসলৈ দিয়া পত্ৰৰ দ্বাৰা সুন্দৰ বৰ্ণনা পোৱা যায়।[১৬]

**৫। এখন বাস্তৱবাদী নাটক ঃ**

বিশাখাদত্তৰ মুদ্ৰাৰাক্ষস নাটকখনত কালিদাস, ভৱভূতিৰ নাটকৰ দৰে শৃংগাৰ ৰসৰ অনুভূতি ভাৱপ্ৰৱণতা দেখিবলৈ পোৱা নাযায়। এই নাটকখনে ইতিহাসৰ বাস্তৱতাক প্ৰাধান্য দিয়াৰ বাবে সৰ্বসাধাৰণ নাটকৰ দৰে নায়ক-নায়িকাৰ বিশ্বাস মধুৰ সংলাপো পোৱা নাযায়। সৰ্বসাধাৰণ জনজীৱনৰ বৰ্ণনা প্ৰসংগতো নায়িকা চৰিত্ৰৰ বৰ্ণনা অতি নগণ্য। ৰজাঘৰীয়া চৰিত্ৰৰ বাহিৰে বাকী চৰিত্ৰ তেনেই বিৰল বুলিব পাৰি। কিন্তু সমসাময়িক ৰাজনৈতিক সমাজৰ বিভিন্ন চোৰাংচোৱা নিয়োগ কৰাৰ উল্লেখ পোৱা যায়।[১৭] চন্দ্ৰগুপ্ত মৌৰ্যৰ প্ৰধানমন্ত্ৰী চাণক্যৰ চৰিত্ৰৰ যোগেদি নাটকখনৰ সৰ্বত্ৰ বিচিত্ৰতা বিৰাজমান যদিও তেওঁৰ কথা-বতৰা চিন্তাধাৰাত বাস্তৱবাদী, আত্মবিশ্বাসী, নীতি পাৰ্গত, প্ৰতিজ্ঞাবদ্ধ মন্ত্ৰী হিচাপে দেখা যায়।[১৮] বিভিন্ন নীতিমাৰ্গত চলি কুমন্ত্ৰণাৰ প্ৰয়োগত সিদ্ধহস্ত চাণক্যই কতো যুদ্ধবিগ্ৰহ, ৰক্তপাতৰ সূচনা নকৰাকৈ অভীষ্ট সিদ্ধি কৰিছিল। সেই কথা চাণক্যই নিজ মুখে স্বীকাৰ কৰিছে।[১৯]

আনহাতে এজন ৰজায়ো কেতিয়াও কষ্ট নকৰাকৈ খাবলৈ নাপায়, প্রতি মুহূর্ততে ৰাজ্যৰ চিন্তাত থাকিব লাগে। লগতে ৰজাৰ সৈতে মন্ত্রী তথা ভৃত্যসকলৰ প্রতি কেনে মনোভাৱ হ'ব লাগে, কেনেদৰে ৰজা প্রতি মুহূর্ততে সষ্টম হৈ থাকিব লাগে তেনেধৰণৰ বাস্তৱিক কথাৰ সুন্দৰ সুন্দৰ বর্ণনা এই নাটকত পোৱা যায়। উদাহৰণস্বৰূপে, উল্লেখ পোৱা যায় যে হাতীয়েও যিমান কষ্ট কৰে ঠিক তেনেকৈ খাবলৈ নাপায়, ৰজায়ো যিমান কষ্ট কৰে সিমান শান্তিত থাকিবলৈ নাপায়।[২০]

**৬। সমসাময়িক সামাজিক চিত্রণ ঃ**

মূদ্রাৰাক্ষস নাটকত লিখক বিশাখাদত্তৰ সমসাময়িক সমাজৰ আভাস পোৱা যায়। সমাজত ৰাজতন্ত্রৰ প্রচলন আছিল। ৰজাই সাম, দান, দণ্ড, ভেদ প্রয়োগৰ যোগেদি শত্রু ৰজা তথা চুবুৰীয়া ৰজাসকলৰ লগত সম্পর্ক বজাই ৰাখিছিল। নাটকখনত কৌটিল্যৰ অর্থনীতি, ৰাজনীতি আদি নীতি প্রয়োগৰ বাদেও কামন্দকীয় নীতিসাৰৰ নীতিবিলাকৰ উল্লেখো পোৱা যায়। চাণক্যৰ কূটনীতি আনৰ বাবে দুর্বোধ্য আছিল। এটা কৌশলৰ দ্বাৰা বহু কার্যসিদ্ধি কৰা চাণক্যৰ কূটনীতিৰ উজ্জ্বল উদাহৰণ। সেয়ে ৰাক্ষসে এনেদৰে মন্তব্য কৰিছিল—"অহো দুর্বোধ্য চাণক্যনীতিমার্গঃ।"[২১]

পুনৰ শত্রুক বধ কৰিবলৈ কেনে কূটনীতিৰ আশ্রয় লোৱা হয় তাৰ প্রমাণ গাখীৰত বিহ দিয়া,[২২] শিল্পীৰ হতুৱাই প্রৱেশদ্বাৰত তোৰণ নির্মাণ কৰি ভাঙি শত্রুক বধ কৰাৰ চেষ্টা,[২৩] বিষকন্যাৰ জালত[২৪] পেলাই ৰজাক কেনেকৈ বধ কৰিব পাৰি তাৰ চেষ্টা কৰা আদি বর্ণনাৰ যোগেদি নাট্যকাৰৰ সমসাময়িক ৰাজতন্ত্র কেনেধৰণে চলিছিল তাৰ আভাস কম-বেছি পৰিমাণে এই নাটকত উল্লেখ পোৱা যায়।

তথাপি চন্দ্রগুপ্তৰ মহামন্ত্রী চাণক্য আৰু নন্দৰ বিশ্বস্ত মহামন্ত্রী ৰাক্ষসে নিজৰ গৰাকীৰ হিতৰ বাবে বিভিন্ন কূটনীতিৰ আশ্রয় ল'লেও দুয়ো দুয়োৰে স্থানত শুদ্ধ, সৎ আৰু বিশ্বাসী মন্ত্রীৰূপে স্থান পাইছে। সেয়েহে মহোদয়ে দুয়োজনৰ বিষয়ে এনেদৰে মতামত আগবঢাইছে—"Chanakya has to fulfill a vow, but that accomplished, relinquishes rank and power; and Rakshasa, whilst he pursues Chandragupta with holistility, seeks only to revenge the death of his former sovereign without the thought of acquiring fortune of dignity for himself."[২৫]

সামৰণিত ইয়াকে ক'ব পাৰি যে ৰাজনৈতিক নাটক হিচাপে মূদ্রাৰাক্ষস এখন সফল নাটক। কিন্তু নীতি শিক্ষাৰ দিশৰ পৰা চালে দেখা যায় যে ইয়াত চাণক্যৰ কূটনীতিয়েই প্রধান অস্ত্র। তথাপি সততাৰ বাবে, সকলোৰে হিতৰ বাবে এই কূটনীতিৰ প্রয়োগকো উচিত বুলিয়েই গণ্য কৰা হৈছে। সেয়ে হয়তো মহোদয়েও এই নাটকৰ ওপৰত এনেদৰে মন্তব্য কৰি গৈছে —"It is a historical or political drama, and represents a curious state of public morals, in which fraud and assassination are the simple mean by which inconvenient obligations are acquitted, and troublesome friends or open enemies removed. It is not, however, that such acts are not held in themselves as crimes, or that they are perpetrators, if instigated by vulgar vice or ferocity, are not condemned as culprits; it is only when the commission of the crime proposes a political end that it is represented as venial, and is compatible with the possession of great virtues, and even with an amiable character."[২৬]

**পাদটীকা ঃ**

১। নাটকং খ্যাতবৃত্তং স্যা। সাহিত্যদৰ্পণ, ষষ্ঠ পৰিচ্ছেদ।

২। অস্তিতাৰ শক-যৱন-কিৰাত-কাম্বোজ-পাৰসীক .....পৰ্ব্বতেশ্বৰবলৈৰদধিভিৰিব.....কুসুমপুৰম্। মূদ্ৰাৰাক্ষস, দ্বিতীয়াংক, পৃষ্ঠা ৯৯।

৩। (ক) অহো। দুৰ্বোধ্য চাণক্যনীতিমাৰ্গঃ। তদেৰ, ষষ্ঠাংক, পৃষ্ঠা ৩৫৫।

(খ) কএকমপি-নীতবীজং বহুফলতামেতি যস্য ভৱ। তদেৰ, দ্বিতীয়াংক, পৃষ্ঠা ১২০।

(গ) আকৰঃ সৰ্বশাস্ত্ৰানাং ৰত্নানামিব সাগৰঃ। তদেৰ, প্ৰথমাংক, পৃষ্ঠা ৩৭৪।

৪। অহং থলু আহিতুণ্ডিকো জীৰ্ণবিৰো নাম্....আত্মজীৰিকাসম্পাদকাঃ সৰ্পাঃ। তদেৰ, দ্বিতীয়াংক, পৃষ্ঠা ৭৮-৭৯।

৫। একঃ এ ভবেদংগী শৃংগাৰঃ বীৰঃ এৱ বা। সাহিত্যদৰ্পণ, ষষ্ঠ পৰিচ্ছেদ।

৬। ততঃ প্ৰৱিশ্যতি দ্বিতীয়চাণ্ডালানুগতো বধ্যবেষধাৰী শূলং স্কন্ধেনাদায় পুত্ৰেণ চানুগম্যমানশ্চন্দনদাসঃ। মূদ্ৰাৰাক্ষস, ষষ্ঠাংক, পৃষ্ঠা ৩৬০।

৭। শোনোত্তৰে। কিমাগমন প্ৰয়োজনম্? তদেৰ, প্ৰথমাংক, পৃষ্ঠা ৪২।

৮। (ক) অস্তিতাৰদহমাৰ্য্যেণ পৌৰজনচৰিত্ৰদৰ্শনে নিযুক্তঃ। তদেৰ, প্ৰথমাংক, পৃষ্ঠা ৩৮।

(খ) ন কেৱলমহং সৰ্পোজীৰী, প্ৰাকৃতকবিঃ খল্বহম্। তদেৰ, দ্বিতীয়াংক, পৃষ্ঠা ৯৩।

৯। অয়ং স মূদ্ৰিতো লেখঃ। তদেৰ, প্ৰথমাংক, পৃষ্ঠা ৪৮।

১০। একঃ এৱ ভবেদংগী শৃংগাৰঃ বীৰঃ এৱ বা। সাহিত্যদৰ্পণ, ষষ্ঠ পৰিচ্ছেদ।

১১। শিখাং কোক্তুং বদ্ধামপি পুনৰয়ং ধাৱতি কৰঃ।
প্ৰতিজ্ঞামাৰোহং পুনৰপি চলত্যেষ চৰণঃ।। মূদ্ৰাৰাক্ষস, তৃতীয়াংক, শ্লোক ২৯, পৃষ্ঠা ১৯৪।

১২। যে এতেন ৰাক্ষসেনসহঃ সৌহাৰ্দসুতপাদ্যাস্মচ্ছ্ৰীৰ্দ্ৰোহেণ চন্দ্ৰগুপ্তাৰাধয়িতুকামাঃ পঞ্চৰাজানঃ, তেষু ত্ৰয়ঃ প্ৰথমা হস্তিবলকামৌ হস্তিনৈৰ ঘাত্যেতামিতি। তদেৰ, পঞ্চমাংক, পৃষ্ঠা ৩০৮-৩০৯।

১৩। (ক) গজাধ্যক্ষো ভদ্ৰভটঃ অশ্বাধ্যক্ষ পুৰুষদত্তঃ, ....কুমাৰসেৰকো ৰাজসেনঃ, সেনাপ্তেঃ সিংহবলস্যকনীয়ান্ ভ্ৰাত ভাগুৰায়ণঃ, ....এতে কাৰ্য্যেবহিতাঃ স্মৰতি।। তদেৰ, তৃতীয়াংক, পৃষ্ঠা ১৭৮।

(খ) প্ৰাকাৰং পৰিতঃ শৰাসনধৰৈঃ ক্ষিপ্ৰং পৰিত্ৰম্যতাং
দ্বাৰেষু দ্বিৰদৈঃ প্ৰতি দ্বিপঘটাভেদক্ষমৈঃ স্থীয়তাম্।
মুক্তা মৃতুভয়ং প্ৰহৰ্তমনসঃ শত্ৰোৰ্বলে দুৰ্বলে তে নিমাক্ত,
ময়া সহৈকেমনস্যে, যেষামভীষ্টং যশঃ।। তদেৰ, দ্বিতীয়াংক, শ্লোক ১৩, পৃষ্ঠা ১০০।

১৪। প্ৰকৃতিচিত্তপৰিজ্ঞানে নিযুক্তো নিপুণকঃ। তদেৰ, প্ৰথমাংক, পৃষ্ঠা ৩৩।

১৫। অহং খলু আহিতুণ্ডিকো জীৰ্ণবিষো নাম্....আত্মজীৰিকাসম্পাদকাঃ সৰ্পাঃ। তদেৰ, দ্বিতীয়াংক, পৃষ্ঠা ৭৮-৭৯।

১৬। পীত্বা নিৰবশেষং কুসুমৰসমাত্মনঃ কুশলতয়া।

যদ্দুদগিৰতি ভ্ৰমৰস্তদন্যোষাং কৰোতি কাৰ্যম্।। তদেৱ, দ্বিতীয়াংক, শ্লোক ১১, পৃষ্ঠা ৯৪।

১৭। প্ৰকৃতিচিত্তপৰিজ্ঞানে নিযুক্তো নিপুণকঃ। তদেৱ, প্ৰথমাংক পৃষ্ঠা ৩৩।

১৮। অস্তি বিষুগুশৰ্মানাম ব্ৰাহ্মণঃ, স চৌশনস্যাং দণ্ডনীত্যাং...প্ৰাৱীন্যমুপগতঃ। স চ ময়া ক্ষপণক লিংগধাৰীমন্দবধপ্ৰতিজ্ঞানন্তৰমেব কুসুমপুৰমপনীয়ঃ। তদেৱ, প্ৰথমাংক, পৃষ্ঠা ২৫।

১৯। একা কেৱলমৰ্থসাধনবিধৌ সেনাশতেভ্যোঅধিকা।
নন্দোন্মুলনদৃষ্টবীৰ্যমহিমা বুদ্ধিস্ত মাগান্মম্।। তদেৱ, প্ৰথমাংক, শ্লোক ২৬।

২০। স্বয়মাবৃত্য ভুঞ্জানা বলিনোঅপি স্বভাৱত।
গজেন্দ্ৰাশ্চ নৰেন্দ্ৰাশ্চ প্ৰায়ঃ সীদন্তি দুঃখিতা।। তদেৱ, প্ৰথমাংক, শ্লোক ১৬।

২১। তদেৱ, ষষ্ঠাংক, পৃষ্ঠা ৩৫৫।

২২। কল্পিতমনেন বিষচূৰ্ণমিশ্ৰমৌষধং চন্দ্ৰগুপ্তায়। তদেৱ, দ্বিতীয়াংক, পৃষ্ঠা ১১৩।

২৩। .....দাৰুবৰ্মণা চন্দ্ৰগুপ্তো য়মিতি মন্যমানেন বৈৰোচকস্যোপৰি নিপাতনায় সজ্জীক্ৰিতং যন্ত্ৰতোৰণম্। তদেৱ, প্ৰথমাংক, পৃষ্ঠা ১০৯।

২৪। য এযো ক্ষপণকো জীৱসিদ্ধিৰ্নাম ৰাক্ষসপ্ৰযুক্তো বিষকন্যয়া পৰ্বতেশ্বৰং ঘাতিতবান্। তদেৱ, প্ৰথমাংক, পৃষ্ঠা ৫০।

২৫। Mudārākṣhasa, M. R. Kale, p.xxxvii

২৬। *Ibid.*, M. R. Kale, p.xxxiv

**সহায়ক গ্ৰন্থ ঃ**


১। *মূদ্ৰাৰাক্ষসম,* সুধা' সংস্কৃত হিন্দী ব্যাখ্যাসহিত, শ্ৰীঅৱনী কুমাৰ পান্দেয়, চৌখম্বা সুৰভাৰতী প্ৰকাশন, বাৰানসী, ২০১৭।

২। *মূদ্ৰাৰাক্ষস,* বিশাখদত্ত, এম. আৰ. কালে, মতিলাল বানাৰসী দাস, ৫ম সংস্কৰণ, ২০১১।

৩। *মূদ্ৰাৰাক্ষস,* আৰ. এচ. পণ্ডিত অনুদিত, পুনঃ সংস্কৰণ, ২০১৭।

৪। *সাহিত্যদৰ্পণ,* বিশ্বনাথ কবিৰাজ, শশিকলা, হিন্দীব্যাখ্যোপেত, চৌখম্বা বিদ্যাভৱন, বাৰানসী, ১৯৯৭।

# আধুনিক যুগৰ বেদভাষ্যকাৰ টী. বী. কপালী শাস্ত্ৰী আৰু তেখেতৰ মন্ত্ৰাৰ্থ ব্যাখ্যা শৈলী ঃ এক অৱলোকন

# Modern Vedic Commentator T. V. Kapali Shastri and his Style of Explanation of the Mantras : An Observation

ড° মন্দাকিনী মহন্ত

**Abstract**

T. V. Kapali Shastri was a renowned vedic commentator of modern times. He has offered his immense contributions by assimilating the modern thoughts with the culture and civilization of the ancient period. Being born on 3rd September,1886 in Mailapur of Chennai he became the disciple of Ganapati Muni and Sri Aurobinda in the later period. His insightful writings written in different languages have been published in 12 books. Shastri has explained the Vedas by keeping the Ṛgveda as the basis of all. According to him ,there are two types of meanings of the vedic words.One is internal ,the other being external which has hardly got recognition by him. Shastri gave utmost effort to provide the internal meanings of the vedic mantras. In the present paper an attempt would be made to highlight the ways and style of Kapali Shastri's explanation of the vedic mantras.

টী.বী. কপালী শাস্ত্ৰী আধুনিক যুগৰ এজন প্ৰখ্যাত বেদভাষ্যকাৰ। প্ৰাচীন ভাৰতৰ সভ্যতা-সংস্কৃতিৰ সৈতে আধুনিক সময়ৰ বিৱৰ্ত্তনবাদী চিন্তাধাৰাৰ মাজত সুন্দৰ সংযোগ স্থাপনৰ জৰিয়তে শাস্ত্ৰীদেৱে অনবদ্য অৱদান আগবঢ়াই থৈ গৈছে। তেওঁৰ গুৰু বশিষ্ঠ গণপতি মুনিৰ আৰু পৰৱৰ্তী সময়ত শ্ৰীঅৰবিন্দৰ শিষ্যত্ব গ্ৰহণ কৰি শাস্ত্ৰীদেৱে বেদৰ নিগূঢ় তত্ত্ববোৰৰ সময়োপযোগী ব্যাখ্যা আগবঢ়াইছে। ইংৰাজী, তামিল, তেলুগু আৰু সংস্কৃত ভাষাত ৰচিত তেওঁৰ জ্ঞানসমৃদ্ধ লেখাবোৰ ১২ খন গ্ৰন্থত সঙ্কলন কৰি প্ৰকাশ কৰি উলিওৱা হৈছে।

টী.বী. কপালী শাস্ত্ৰীৰ জন্ম ১৮৮৬ চনৰ ৩ ছেপ্তেম্বৰত হৈছিল। জন্মস্থান চেন্নাইৰ মাইলাপুৰ। শৈশৱ কালতে পিতৃৰ পৰা সংস্কৃতৰ শিক্ষা গ্ৰহণ কৰি শাস্ত্ৰীদেৱে ১২ বছৰ বয়সৰ ভিতৰতে ১২ বাৰ ৰামায়ণ অধ্যয়ন কৰিছিল। ইয়াৰ উপৰিও সৰু কালতে ব্যাকৰণ, তৰ্ক, মন্ত্ৰশাস্ত্ৰ আদি বিষয়ৰ ওপৰত তেখেতে জ্ঞান আহৰণ কৰিছিল। অশৈশৱ আধ্যাত্মিক ভাৱধাৰাৰে পৰিপুষ্ট টী. বী. কপালী শাস্ত্ৰীয়ে তেওঁৰ জীৱনৰ লক্ষ্যৰ সম্পৰ্কে ভালদৰে জানিছিল আৰু সেয়েহে বশিষ্ঠ গণপতি মুনি, ৰমণ মহৰ্ষি আৰু মাতৃৰ পৰা প্ৰাৰম্ভিক শিক্ষা গ্ৰহণ কৰি ১৯২৯ চনত অৰবিন্দ আশ্ৰমত যোগদান দিছিল। তাৰ পিছতো তেখেতৰ সাৰস্বত সাধনা নিৰন্তৰ ভাৱে চলি আছিল।

কপালী শাস্ত্ৰীদেৱৰ মতে প্ৰাচীন কালত বেদক ধৰ্মৰ মূল বুলি বিবেচনা কৰা হৈছিল। লগতে বেদক সাময়িক কৰ্মকাণ্ডৰো আধাৰ বুলি গণ্য কৰা হৈছিল। তেওঁৰ মতে বেদসমগ্ৰৰ প্ৰাচীনতম বেদ ঋগ্বেদ। মন্ত্ৰৰূপী কাব্যকৰ্তা ঋষি। ঋষিয়ে যজ্ঞকৰ্মৰ বাবে সুক্তাত্মক কাব্য ৰচনা কৰিছে। ইয়াত মৰুৎ, পৰ্জন্য, অগ্নি, সূৰ্য আদি দেৱৰ বৰ্ণনা বৰ্ণিত হৈছে। ঋষিসকলে এই স্তুতি হয় প্ৰাকৃতিক শক্তিৰ দ্বাৰা ভয়-ভীত হৈ কৰিছিল নতুবা দেৱতাৰ প্ৰতি প্ৰেমপূৰ্বক অভিভূত হৈ। শাস্ত্ৰীদেৱৰ এনে বিবেচনাৰ দ্বাৰা কেইটামান কথা স্পষ্ট হৈ পৰে। প্ৰথমতে, তেখেতে ঋষি আৰু কবিৰ মাজত বিশেষ পাৰ্থক্য ৰখা নাই। বেদ অপৌৰষেয় বুলি বিবেচিত হৈ অহা সিদ্ধান্তৰ তেওঁ পৰিপন্থী আছিল বুলিও ক'ব পৰা যায়। ব্ৰাহ্মণ, উপনিষদ, নিৰুক্ত, পুৰাণ, ইতিহাস আদি বিভিন্ন শাস্ত্ৰ অধ্যয়ন কৰি শাস্ত্ৰীদেৱে এই কথা উপলব্ধি কৰে যে বেদত অনন্ত ৰহস্য সোমাই আছে আৰু ঋগ্বেদত চাৰিফালৰ আবৃত এক গোপন ৰহস্যৰ ভাণ্ডাৰ আছে যি ভাষা বিশেষৰ মাধ্যমেৰে সংকেত ৰূপত স্থিত হৈ আছে। যদি সেই সংকেতিতাৰ্থ বিদিত হৈ পৰে তেন্তে গোপন সেই ৰহস্যৰো ভেদ হ'ব। সংকেতবোৰ ঋষিসকলৰ বোধগম্য আছিল। দৈবিক দৃষ্টিৰে তেওঁলোকে দিব্যাৰ্থ বুজি পাইছিল। যদি আমাৰ ওচৰতো ঠিক তেনে দৃষ্টি থাকে তেন্তে আমিও নিৰ্বিকল্পভাৱে সংকেতিতাৰ্থ বুজি পাবলৈ সক্ষম হ'ম। এনেধৰণৰ ভাৱধাৰাৰে পুষ্ট হৈ টী.বী. কপালী শাস্ত্ৰীয়ে বেদৰ মন্ত্ৰাৰ্থ ব্যাখ্যা কৰিছিল।

টী.বী. কপালী শাস্ত্ৰীয়ে ঋগ্বেদক আধাৰ হিচাবে লৈ বেদব্যাখ্যা কৰিছে। কপালী শাস্ত্ৰীদেৱে মন্ত্ৰৰ দুই প্ৰকাৰৰ অৰ্থ বৰ্ণনা কৰিছে— ১। আন্তৰিক পক্ষ আৰু ২। বাহ্যপক্ষ। মন্ত্ৰৰ আন্তৰিক পক্ষ গুপ্ত আৰু বাহ্যিক পক্ষ পৰিষ্ফুট। আৰণ্যক আৰু ব্ৰাহ্মণৰ যুগৰ পৰা মন্ত্ৰদ্ৰষ্টা ঋষিৰ যুগ অত্যন্ত প্ৰাচীন। সেইসকল গহনতত্ত্ববেত্তা ঋষিৰ গূঢ়ভাষাৰ গোপনীয় তত্ত্বৰ কোষ হৈছে ঋগ্বেদ। প্ৰত্যুত ঋষিসকলৰ শ্ৰৱণ দৰ্শনৰ দ্বাৰা নিৰ্গত ঋক্‌বোৰে মন্ত্ৰৰ দৃষ্টি নিৰূপণ কৰে। প্ৰাদুৰ্ভাৱৰ প্ৰভাৱ, শব্দ আৰু অৰ্থৰ দৃষ্টিৰ দ্বাৰা নাদ আৰু পৰিস্পন্দিত বিশেষতাৰ কাৰণে মন্ত্ৰৰ শক্তি আৰু ফলবত্তা সুপ্ৰসিদ্ধ। মন্ত্ৰ হৈছে মন্ত্ৰদ্ৰষ্টা ঋষি আৰু অন্য সকলোৰো পুৰুষাৰ্থ সাধনৰ অলৌকিক স্বৰূপ। শাস্ত্ৰীদেৱৰ মতে, মন্ত্ৰৰ আভ্যন্তৰীণ অৰ্থ পৰমাৰ্থ সত্যৰূপ যাৰ বিষয়ে ঋষিসকলে জানিছিল। তেওঁলোকে সৰ্বস্ব সমৰ্পিত কৰি গুৰুৰ দ্বাৰা প্ৰদান কৰা আধ্যাত্মিক উন্নতিৰ জৰিয়তে অধিলোক আৰু অধিদৈৱৰ তত্ত্বজ্ঞান লাভ কৰিছিল।[১]

মন্ত্ৰৰ দ্বিতীয় অৰ্থ বাহ্য আৰু ই স্থূলও। মন্ত্ৰৰ এই বাহ্যিক অৰ্থ জনসাধাৰণৰ বাবে উপযোগী। দেৱতা আৰাধনা কৰাৰ সময়ত যাগ-যজ্ঞ অনুষ্ঠানৰ সময়ত ই উপযোগী হৈ পৰে। বেদৰ জ্ঞান যাতে অনধিকাৰীয়ে প্ৰাপ্ত কৰিব নোৱাৰে তাৰবাবে এনে ধৰণৰ বিধান অতি আৱশ্যক। অপক্ক, সংস্কাৰশূন্য সাধাৰণ মানুহৰ অজ্ঞানবশতঃ

যাতে কোনো ধৰণৰ বিপত্তি নহয় তাৰ কাৰণে বেদৰ ৰহস্য গোপনে ৰাখি থোৱা হৈছে বুলি শাস্ত্ৰীদেৱে মত প্ৰকাশ কৰে।[২]

বেদৰ ভাষা সম্পৰ্কে কপালী শাস্ত্ৰীদেৱে স্পষ্টভাৱে কৈছে যে শব্দৰ মূল স্বৰূপ জ্ঞানৰ অধীন। বাহ্যেন্দ্ৰিয়ৰ দ্বাৰা অৰ্থানুভৱৰ কাৰণে শাৰীৰিক অগ্নি আৰু বায়ুৰ সংযোগত জন্ম লোৱা মানুষী বাক্ শ্ৰোত্ৰগ্ৰাহ্য হৈ অৰ্থ প্ৰকাশ কৰে। সৃষ্টিৰ আদিতে মানুষী ভাষা সাংকেতিক নাছিল। সামান্য জনৰ ভাষা বাহ্যলোকৰ প্ৰত্যক্ষ অনুভৱ তথা মহৰ্ষিসকলৰ আভ্যন্তৰ সাক্ষাৎকাৰ দৰ্শন-শ্ৰৱণ আদি অনুভৱৰ ওপৰত মানুহৰ ভাষা আধাৰিত আছিল। সময়ৰ লগে লগে সংকেতবোৰৰ লগত নিৰ্দিষ্ট অৰ্থ সংযোজিত হ'ল। যেনেদৰে, ..........[৩] আদি প্ৰাণীৰ ছয় ভাৱবিকাৰ থাকে ঠিক তেনেদৰে ভাষাৰ উদ্ভৱ আৰু অভ্যুদয়ৰ ক্ষেত্ৰত প্ৰবৃত্ত শব্দাৰ্থ সম্বন্ধৰ নিয়মৰ জৰিয়তে ৰূঢ়িৰ সিদ্ধি হয়।[৪] পদ যৌগিক হোৱাৰ হেতুকে প্ৰয়োগবশতঃ এটা অৰ্থতেই বহুত শব্দ থাকে আৰু এনেদৰে এটা শব্দতেই অৰ্থ পৰিনিষ্ঠিত হৈ পৰে। সেইকাৰণে, ধাতুক অনেকাৰ্থক বুলি কোৱা হয়। শাস্ত্ৰীদেৱৰ মতে শব্দৰ যৌগিকত্ব কেৱল অব্যাহতই নহয়, প্ৰাণসম স্থিত হৈ থাকে।[৫]

যজ্ঞৰ মুখ্য অংগবোৰৰ বিষয়ে টী.বী. কপালী শাস্ত্ৰীয়ে ব্যাখ্যা আগবঢ়াইছে। বাহ্যজগত আন্তৰিক জগতৰ সংকেত। সেই অনুসৰি বহিৰ্যাগ অন্তৰ্যাগৰ সংকেত। যাগৰ মুখ্য অংগ যজমান, ঋত্বিক, দ্ৰব্যত্যাগ আৰু যজ্ঞৰ ফল সম্পৰ্কে তেখেতে সুন্দৰ সংজ্ঞা প্ৰদান কৰিছে। যজ্ঞৰ কৰ্মৰ সৈতে প্ৰবৃত্ত হোৱা জীৱাত্মাই হৈছে যজমান।[৬] যাজ্ঞিক কৰ্মক যথাস্থান আৰু যথাকাল নিৰ্বহণ কৰাটো ঋত্বিকৰ কাৰ্য। ঋত্বিকে যজ্ঞৰ প্ৰাৰম্ভৰ পৰা আৰম্ভ কৰি সমাপ্তিলৈ সহযোগ কৰে। ঋতু অৰ্থাৎ উচিত সময়ত যজ্ঞ কৰা বাবে তেওঁক ঋত্বিক বোলা হয়।[৭] হোতা, অধ্বৰ্যু, উদ্গাতা আৰু ব্ৰহ্মাৰ সম্যক স্বৰূপৰ বিষয়েও তেওঁ আলোচনা কৰে।

বেদত্ৰয়ী নে চতুষ্টয়ী এই বিষয়ে পণ্ডিতসকলৰ মাজত বেলেগ বেলেগ অভিমত থকা দেখা যায়। কপালী শাস্ত্ৰীয়ে মধ্যম মাৰ্গ এটা গ্ৰহণ কৰি যুক্তিপূৰ্বক সমাধান আগবঢ়াবলৈ চেষ্টা কৰিছে। মন্ত্ৰৰ দৃষ্টিৰে ত্ৰয়ী আৰু সংহিতাৰ দৃষ্টিৰে বেদ চতুষ্টয়ী। ইয়াৰ উপৰিও যজ্ঞৰ দৃষ্টিৰে চালে ত্ৰয়ীৰ উপযোগিতা আছে। কিন্তু ঋগ্বেদ আৰু অথৰ্ব বেদৰ বহুত মন্ত্ৰ সমান বাবে অথৰ্বৰ মন্ত্ৰ যজ্ঞত প্ৰযুক্ত হয়। সেয়েহে, অথৰ্ব বেদক যজ্ঞৰ পৰিসীমাৰ পৰা বাহিৰত থ'ব নোৱাৰি। লক্ষণীয়ভাৱে শাস্ত্ৰীদেৱে যজুৰ্বেদৰ মন্ত্ৰক নিজৰ ব্যাখ্যা পদ্ধতিত উপযোগী বুলি মানি লোৱা নাই। তেওঁৰ মতে, মানুহে যিয়েই নিবিচাৰক কিয় সেই সকলোবোৰেই ঋগ্বেদতেই পোৱা যায়। ইয়াৰ লগতে, যৰ্জুবেদৰ ভাষাৰ সংকেত একে সমান নহয় তথা সৰলো নহয়। অৱশ্যে, সেইবুলিয়েই অন্যবেদৰ আৱশ্যকতা কোনো গুণে কম নহয়।

**টী.বী. কপালী শাস্ত্ৰীদেৱৰ মন্ত্ৰাৰ্থ দৃষ্টি ঃ**

বেদভাষ্যকাৰসকলৰ ভিতৰত যাস্ক, স্কন্ধ, ভেংকট আৰু আচাৰ্য সায়ণৰ দ্বাৰা কপালী শাস্ত্ৰীদেৱে অনুপ্ৰেৰণা লাভ কৰিছিল যদিও সায়ণৰ কাৰ্যৰ দ্বাৰা তেখেতে অধিক প্ৰভাৱান্বিত হৈছিল যেন প্ৰতীত হয়। আধুনিক যুগৰ কোনো ভাষ্যকাৰৰ বিষয়ে তেখেতে অৱশ্যে উল্লেখ কৰা নাই।

শাস্ত্ৰীদেৱৰ অৰ্থ কুশলতা সম্পৰ্কে অৱবোধন কৰিবৰ বাবে ঋগ্বেদৰ নিম্নোক্ত মন্ত্ৰটো উদাহৰণ হিচাপে লোৱা যাওক —[৮]

अ॒ग्निमी॑ळे पु॒रोहि॑तं य॒ज्ञस्य॑ दे॒वमृ॒त्विज॑म्।
होता॑रं रत्न॒धात॑मम्।

এই মন্ত্ৰটোৰ অৰ্থ শাস্ত্ৰীদেৱে এনেদৰে প্ৰদান কৰিছে[৮] —

'(अग्निम्)' अग्निनामकं देवम् (ईळे) अध्येषणीयत्वेन स्तौमि। कीदृशम्? (पुरोहितम्) पुरस्तात् निहितं कार्यनिर्वाहाय, पुन: कोदृशम्?, (यज्ञस्य देवम् ऋत्विजम् देवतासम्भावनार्थम् अनुष्ठीयमानस्य यागस्य निर्वर्तने यो ऋत्विग्भूत: नम्। पुनश्चच कीदृशम्? (होतारम्) हवातारं सामर्थ्याद् देवानाम्। पुनरपि कथंभूतम्? (रत्नधातमम्) रमणीयानां रत्नीनाम् अतिशयेन धारकम्।'[৯]

অৰ্থাৎ, মই অগ্নি নামৰ দেৱতাক প্ৰাৰ্থনীয় হোৱা হেতুকে স্তুতি কৰোঁ। এইজনা দেৱতা কাৰ্যনিৰ্বাহ কৰিবলৈ সন্মুখত স্থিত হৈছে, তেওঁ নিজেই দেৱতাৰ পূজাৰ্থে অনুষ্ঠীয় যাগত ঋত্বিক্ হৈ পৰে আৰু তেৱেঁই নিজৰ সামৰ্থৰে দেৱতাসকলক আহ্বান কৰে আৰু লগতে তেৱেঁই ৰমণীয় আনন্দক অতিশয়ভাৱে ধাৰণ কৰে।

কপালী শাস্ত্ৰীয়ে যিভাৱে মন্ত্ৰৰ অৰ্থ আগবঢ়াইছে তেনেদৰে ইয়াৰ পূৰ্বে কোনো ভাষ্যকাৰে আগবঢ়োৱা নাই। সায়ণৰ ভাষ্যত এই অগ্নিক যজ্ঞাগ্নিতকৈ ভিন্ন কৰি দেখুওৱা হোৱা নাই।[১০] দয়ানন্দৰ ভাষ্যত ই পৰমেশ্বৰ আৰু ভৌতিক অগ্নিৰ বোধ কৰায়।[১১] ইপিনে, কপালী শাস্ত্ৰীয়ে ব্যক্তিত স্থিত অগ্নিক উদ্দেশ্যে কৰি উপযুক্ত অৰ্থ প্ৰদান কৰিছে। এই ব্যাখ্যাক অযুক্তিকৰ বুলি অৱশ্যেই ক'ব নোৱাৰি।

অৰ্থৰ উপৰিও কপালী শাস্ত্ৰীদেৱে মন্ত্ৰগত পদৰ বৈকল্পিক নিৰ্বাচন কৰি দেখুৱাইছে। "অগ্নি" পদৰ ব্যুৎপত্তি তেখেতে এনেদৰে প্ৰদান কৰিছে—"প্ৰাচীন আৰ্যভাষাৰ শাখাবোৰত অগ্ন্যৰ্থক ধাতুৰ পৰীক্ষণত বল, প্ৰকাশ আৰু গতি—এই তিনি প্ৰকাৰৰ অৰ্থ দেখা পোৱা যায়। সেয়েহে, এনেদৰে ক'ব পাৰি যে য'ত বল, প্ৰকাশ আৰু গতি আছে সেয়াই অগ্নি।"[১২]

'ঈळे' ক্ৰিয়া পদৰ ক্ষেত্ৰত শাস্ত্ৰীদেৱে কৈছে যে সায়ণাচাৰ্য্য মতে ... ৰ অৰ্থ স্তৌমি'। যাস্কৰ মতে যাচামি।' যাস্কই 'ঈळे'-ৰ যাচ্ঞা' আৰু পূজা' — দুয়োটা অৰ্থই মানি লৈছে। কিন্তু অগ্নিৰ স্বৰূপ আৰু অধিকাৰক চাই ইয়াৰ ভিতৰত অধ্যেষণা (যাচনা) - এই অৰ্থটোৱেই বেছিকৈ খাপ খাই পৰে। পূজ্য পুৰোহিত অগ্নি বা দেৱক সৎকাৰপূৰ্বক কৰ্তব্যবিশেষত নিয়োজিত হোৱা হৈছে অধ্যেষণা। গতিকে 'ঈळे'ৰ অৰ্থ - অধ্যেষে'।[১৩]

'पुरेहित'পদৰ নিৰ্বচন কৰি শাস্ত্ৰীদেৱে কৈছে, যজন কৰ্ম নিৰ্বাহ কৰিবলৈ যজমানৰ আগত নিহিত অগ্নিয়েই পুৰোহিত। সেয়ে, ঋষিয়ে অন্তৰ্যাগত আৰু যজমানে বহিৰ্যাগত অগ্নিক প্ৰাৰ্থনা কৰে। পুৰোহিত' পদৰ নিৰ্বচন - 'पुर एनं दधते'।[১৪]

'होतारम्'পদৰ নিৰ্বচন শাস্ত্ৰীদেৱে এনেদৰে কৰিছে—স্বয়ং দেৱতা হৈ অন্যদেৱক যজ্ঞৰ বাবে আৱাহন জনায়। এনেদৰে আৱাহন কৰা প্ৰভুৱেই অগ্নি।[১৫]

মন্ত্ৰৰ অন্তিম পদ 'रत्नधातमम्' ইয়াৰ ব্যুৎপত্তি দেখুৱাই কপালী শাস্ত্ৰীদেৱে কৈছে—ৰম্' ধাতুৰ লগত ঔণাদিক ক্ন' প্ৰত্যয় লগ হৈ ৰত্ন' পদ নিষ্পন্ন হৈছে — এইবুলি সকলো আচাৰ্যই কৈছে। কিন্তু যজ্ঞৰ অন্তৰ্পক্ষ অনুসৰি—'अन्तर्यजते प्रवृत्तस्य ऋषेर्यजमानस्य अर्पणानां फलभूता रत्नपदवाच्या या रतय: तासां धारक: प्रतिष्ठापक: अग्नि:' -অন্তৰ্যজনত প্ৰবৃত্ত ঋষিৰূপ যজমানৰ অৰ্পণৰ ফল ৰত্ন। সেই ৰত্ন ধাৰণ-স্থাপনা অগ্নিয়েই কৰে। এয়াই ইয়াৰ আন্তৰিক অৰ্থ। যিয়ে কেৱল বহিৰ্যাগক মানে তেওঁৰ মতেহে—'रत्तं धनं यागफलभूतं गवाश्वादिकं तस्यातिशयेन दाता अग्नि: तम्' এনেকুৱা অৰ্থ নিষ্পন্ন হ'ব পাৰে।[১৬]

সমস্ত পদৰ ব্যুৎপত্তি আৰু নিৰ্বচন দিয়াৰ পিছত কপালী শাস্ত্ৰীদেৱে স্পষ্ট কৰি কয়ঃ

'यो यज्ञस्य निवोढ़ा अग्रणी: पुरोहित:, यश्चच काले कर्तव्यस्य यज्ञस्य कर्ता कारयिता च ऋत्विग्भूतो देव:, यो देवान् यज्ञे सन्निधापयितुं प्रभवन् तेषामाहवाना, य: पुनर्यजमाने प्रहर्षातिशयानां आधायक: तमग्निम् अध्येषणीयम्

অভিকাঙক্ষামি।'[১৭]

অৰ্থাৎ, যি যজ্ঞৰ অগ্ৰণী পুৰোহিত আৰু যিয়ে উচিত সময়ত যজ্ঞ কৰা আৰু কৰোৱা ঋত্বিক স্বৰূপ দেৱ, যিয়ে দেৱতাক যজ্ঞলৈ আহ্বান কৰাৰ ক্ষমতা পোষণ কৰি তেওঁলোকক আৱাহন কৰে, যি যজমানৰ অতিশয় আনন্দৰ আধায়ক, সেই প্ৰাৰ্থনীয় অগ্নিক মই কামনা কৰোঁ।

উপযুক্ত বিৰৰণৰ পৰা কপালী শাস্ত্ৰীৰ মন্ত্ৰ ব্যাখ্যা পদ্ধতি সম্পৰ্কে কিছু আভাস পোৱা যায়। তেওঁৰ ব্যাখ্যা শৈলীৰ মুখ্য কেন্দ্ৰবিন্দু হৈছে মন্ত্ৰৰ অন্তঃপক্ষ। আৰু উক্ত মন্ত্ৰটোৰ ক্ষেত্ৰত তেওঁৰ শৈলী সুন্দৰকৈ প্ৰতিফলিত হোৱা আমি দেখিবলৈ পাওঁ। বাহ্যযাগক আধাৰ হিচাপে লৈ মন্ত্ৰাৰ্থ ব্যাখ্যা কৰিলে বেদৰ পক্ষে অহিতকৰ। আজিৰ সমাজে যিহেতু পৰীক্ষণৰ উপৰিও তৰ্কসংগত আৰু বোধগম্য পদাৰ্থ বা নিষ্কৰ্ষক স্বীকাৰ কৰি লয় সেয়েহে কপালী শাস্ত্ৰীৰ ব্যাখ্যা সেই দৃষ্টিকোণৰ পৰা সফল প্ৰয়াস যেন লাগে।

এইখিনিতে এটা কথা উল্লেখ কৰিব পাৰি যে আচাৰ্য দয়ানন্দ আৰু কপালী শাস্ত্ৰী দুয়োজনেই আধুনিক যুগৰ ভাষ্যকাৰ। দয়ানন্দৰ ব্যাখ্যাই ব্যক্তি আৰু সমাজ দুয়োকে সংযোগ কৰে আৰু কপালী শাস্ত্ৰীৰ ব্যাখ্যাই ব্যক্তিৰ উন্নতিক দৃষ্টি ৰাখে।

**টী.বী. কপালী শাস্ত্ৰীৰ বৈশিষ্ট্য ঃ**

প্ৰত্যেক ভাষ্যকাৰে নিজৰ নিজৰ দৃষ্টিভংগী আগত ৰাখি ভাষ্য প্ৰদান কৰে। কপালী শাস্ত্ৰীৰ ক্ষেত্ৰতো আমি একে কথা দেখিবলৈ পাওঁ। শাস্ত্ৰীদেৱৰ বৈশিষ্ট্যৰ বিষয়ে আলোচনা কৰিবলৈ আমি নিম্নোক্ত মন্ত্ৰটোৰ উদাহৰণ ল'ব পাৰোঁ—

যদঙ্গ দাশুষে ত্বমগ্নে ভদ্রং করিষ্যসি।
তবেত্তৎসত্যমঙ্গির: ।।[১৮]

(অঙ্গ! অগ্নে!) হে অগ্নি! দিবলগীয়া যজমানৰ কাৰণে তুমি যি কল্যাণ কৰিবা, হে অংগিৰ নামক অগ্নি! সেয়া তোমাৰেই।

এই মন্ত্ৰটোৰ সায়ণীয় অভিপ্ৰায় এই যে হৰি দিবলগীয়া যজমানৰ কাৰণে পশু-প্ৰজা আদিৰূপ ধন অগ্নিয়ে দিয়ে। মন্ত্ৰত থকা ভদ্ৰ' শব্দই এই প্ৰকাৰৰ কল্যানৰ কথা সূচাইছে। প্ৰাপ্ত ধন আদি সাধনৰ জৰিয়তে যজমানে অগ্নিক যজন কৰে। সেই কাৰণেই অগ্নিৰেই তেওঁ 'তবেত্তত্'। সুন্দৰ অৰ্থ বহন কৰা এই মন্ত্ৰটোত অগ্নিৰ অৰ্থ স্পষ্টৰূপত পৰিভাষিত হৈছে। এই মন্ত্ৰৰ 'দাশুষে (দত্তবতে)' যদ্ভদ্রং করিষ্যসি, তৎসত্যম্, তবেৎ (তবৈব) — এয়া সৰল অন্বয়। অগ্নিৰ দ্বাৰা যজমানে কৰা ভদ্ৰ অগ্নিয়েই। ভদ্ৰ পদ প্ৰজা-পশু-বিত্ত, গৃহ ইত্যাদি সমস্ত কল্যানকামী ব্ৰাহ্মণ বাক্যৰ দ্বাৰা প্ৰতিপাদিত হয়। এয়া সত্য যে প্ৰজা-পশু আদিৰ উপলব্ধিও কল্যানকামীয়েই। কিন্তু ঋগ্বেদে ভদ্ৰপদৰ দ্বাৰা বিশিষ্ট কল্যানৰ কথাহে প্ৰতিপাদন কৰে। দ্ৰষ্টব্য ঃ

বিশ্বানি দেব সবিতর্দুরিতানি পরা সুব।
যদ্ভদ্রং তন্ন আ সুব।।[১৯]

পুনৰ,

পরা দু:ষ্বপ্ন্যং সুব।[২০]

ইত্যাদি মন্ত্ৰও দুঃষ্বপ্ন্য' আৰু দুৰিত'ৰ প্ৰতিদ্বন্দী হিচাপে ভদ্ৰ পদ ব্যৱহৃত হৈছে। জ্ঞানৰ দ্বাৰা উৎপন্ন

হোৱা দুৰ্ভাগ্যৰ বিনাশ অগ্নিয়ে কৰে। সেয়েহে, অগ্নি ভদ্ৰ’। এই তাৎপৰ্য গ্ৰহণ কৰিলে আগৰ ঋক্ আৰু প্ৰস্তুত ঋকত অগ্নিৰ বাবে প্ৰয়োগ কৰা স্য’চৰ বিশেষণে এই কথা সিদ্ধ কৰে যে ভদ্ৰ (কল্যান) মাথো অগ্নিয়েহে সম্পন্ন কৰে। সেয়েহে, উক্ত মন্ত্ৰত প্ৰজা-পশু আদিৰ কল্যান বিৱক্ষিত নহয়। নিশ্চিতৰূপে ভদ্ৰপদে বেদত অশুভ অজ্ঞানৰ পৰা উৎপন্ন হোৱা দুৰিত’ৰ প্ৰতিদ্বন্দ্বী।

কপালী শাস্ত্ৰীৰ বৈশিষ্ট্য সম্পৰ্কত প্ৰাধ্যাপক জ্ঞানপ্ৰকাশ শাস্ত্ৰীদেৱে কয় যে কপালী শাস্ত্ৰীয়ে কোনো বিশিষ্ট কোশৰ সহায় লৈ মন্ত্ৰাৰ্থ কৰা নাই। তেওঁৰ কাৰণে সকলোতকৈ ডাঙৰ কোশেই হৈছে বেদ।[২২] যদিও ভদ্ৰৰ অৰ্থ কল্যান বা তাৰ দ্বাৰা প্ৰজা-পশু আদি ৰূপক বুজালেও আপত্তিজনক নহয় তথাপিও এই অৰ্থ যে ঋষিৰ অভিপ্ৰেত নহয়। সেই কথাও নুই কৰিব নোৱাৰি। বেদৰ বিস্তৃত অধ্যয়নৰ দ্বাৰা এই সিদ্ধান্তলৈ আহিব পাৰি যে ভদ্ৰতা শব্দেৰে কেৱল বাহ্যভাগকেই নহয় বৰং মনক ভদ্ৰ কৰাৰ কথা কোৱা হৈছে।

**টী. বী. কপালী শাস্ত্ৰীৰ নিৰ্বচন শৈলী ঃ**

টী.বী. কপালী শাস্ত্ৰীয়ে ঋগ্‌ভাষ্য প্ৰদান কৰাৰ সময়ত পদবোৰৰ নিৰ্বাচনৰ ক্ষেত্ৰত নতুন শৈলীৰ সমাৱেশ কৰোৱা দেখা যায়। সেয়েহে, স্বাভাৱিকভাৱেই তেওঁ প্ৰদান কৰা অৰ্থ অন্য ভাষ্যকাৰতকৈ বেলেগ। কপালী শাস্ত্ৰীয়ে প্ৰত্যেক শব্দক বাহ্যজগতৰ পৰা আন্তৰিক জগতলৈ লৈ গৈছিল নিব। সেইবাবে তেওঁৰ নিৰ্বাচন পদ্ধতি স্বাভাৱিক ৰূপতকৈ ভিন্ন। শাস্ত্ৰীদেৱ নিৰ্ৱচন পদ্ধতিৰ বিষয়ে কিছু ধাৰণা গ্ৰহণ কৰিবৰ বাবে তেওঁৰ দ্বাৰা বিবেচিত কেইটামান পদৰ অৰ্থ তলত উল্লেখ কৰা হ’ল—

**১। দক্ষম্ ঃ**

— এই মন্ত্ৰটোত পুতদক্ষম্’ পদটোৰ ব্যৱহাৰ হৈছে। পদটোৰ ব্যাখ্যাৰ সন্দৰ্ভত কপালীশাস্ত্ৰীয়ে কৈছে সায়ণাচাৰ্য মতে দক্ষ’ পদ সৰ্বত্ৰ বলৰ অৰ্থতেই প্ৰয়োগ কৰা হয়। নিঘন্টুতো একে মত পোৱা যায়।চ্ছ্ৰ বেদৰ অনেক স্থলৰ পৰিশোধনৰ আধাৰত ক’ব পাৰি বুদ্ধি কৌশলেই দক্ষ। বলৰ ভিন্নতাক স্বীকাৰ কৰি সাধু-অসাধু, সত্য-অসত্য আদিৰ বিবেচনাশীল তত্ত্ব নিৰ্ণায়ক প্ৰজ্ঞাক দক্ষ নামেৰে জনা যায়। নিজৰ মতৰ সমৰ্থন শাস্ত্ৰীদেৱে ইয়াকো কৈছে যে দ্বিতীয় সূক্তৰে নৱম মন্ত্ৰত ই মিত্ৰাবৰুণৌ’ৰ সৈতে প্ৰযুক্ত হৈছে। এই দুইজন ক্ৰিয়াকৌশল আৰু বিবেচনাত্মক কৌশলেৰে যুক্ত।

**২। ঘৃতাচীম্ ঃ**

এই পদটোৰ নিৰ্বচন প্ৰদান কৰি শাস্ত্ৰীয়ে লিখিছে— ‘ঘৃতং দীপ্তিং অঞ্চতি প্ৰাপ্নোতীতি ঘৃতাচী তাং দীপ্তাং ধিয়ং ধাৰণাবৰ্তী বুদ্ধিম্।”[২৫] ঘৃত অৰ্থাৎ দীপ্তিক প্ৰাপ্তি কৰে যি সিয়ে ঘৃতাচী। অৰ্থাৎ জ্ঞানৰ আলোকেৰে দীপ্ত ধাৰণা কৰাৰ সামৰ্থ বুদ্ধি হৈছে ঘৃতাচী। এই পদৰ ব্যুৎপত্তি জুহোত্যাদি গণৰ ক্ষৰণ আৰু দীপ্তি অৰ্থযুক্ত ঘৃ’ ধাতুৰে হয়। মন্ত্ৰৰ দ্বাৰাও দীপ্তি পদৰ অৰ্থ প্ৰকাশিত হৈ পৰে—জিঘৰ্ম্যগ্নিং হবিষা ঘৃতেন।’ দীপ্ত অৰ্থাৎ প্ৰকাশমান বুদ্ধিৰ বিশেষণ। এই ধাতুটো ক্ষৰণ’ আৰু প্ৰস্ৰৱণ’ অৰ্থত প্ৰযুক্ত হয়। সেয়েহে, ঘৃত’ শব্দই লৌকিক জীৱনত ঘীঁক বুজায়। বেদৰ ৰহস্য উদ্‌ঘাটন কৰোৱা প্ৰধান পদবোৰৰ ভিতৰত ঘৃতাচী’ পদটো অন্যতম। কবি-ক্ৰতু-ভদ্ৰ-দক্ষ-ঋত আদি পদৰ সমান যৌগিকত্ব ত্যাগ নকৰাকৈ নিয়ত অৰ্থত মন্ত্ৰত ই প্ৰযুক্ত হয়।[২৬]

গতিকে, দেখা যায় শাস্ত্ৰীদেৱে ঘৃতাচী পদ ধী’-ৰ বিশেষণ হিচাপ প্ৰয়োগ কৰি দেখুৱাইছে। যৌগিক হোৱা সত্ত্বেও উক্ত অৰ্থ নিয়ত অৰ্থত প্ৰযুক্ত হয়। যেনেদৰে, অগ্নিত অৰ্পণ কৰিলে ঘীঁৰ গুণে অগ্নিক অধিক

প্ৰদীপ্ত কৰি তোলে ঠিক তেনেদৰে যি বুদ্ধি প্ৰদীপ্ত হৈ পৰি সি ঘৃতাচী। কিন্তু, কপালী শাস্ত্ৰী ব্যতিৰেকে অইন আচাৰ্যসকলে ঘৃত' শব্দৰ দ্বাৰা উদক' বুলি ব্যাখ্যা কৰিছে। স্কন্দই কৈছে—'ঘৃতম্' इत्युदकानाम् अञ्चतिगत्यार्थ: । सामर्थ्याच्चात्रान्तर्णीतण्यर्थ: । उदकं पृथिवीं प्रति या गमयति, सा घृताची, ताम्।[২৭] সায়ণাচাৰ্যৰ মতে, 'घृतमुदकमञ्चति भूमिं प्रापयति या धीर्वर्षणकर्म ताम्।[২৮] আকৌ দয়ানন্দই ব্যাখ্যা কৰিছে এনেদৰে—घृतं जलमञ्चति प्रापयतीति तां क्रियाम् घृतमित्युदकनामसु पठितम्।[২৯] আমি ইয়াৰ দ্বাৰা ইয়াকে বুজিব পাৰোঁ দৃষ্টিভেদে কেনেদৰে পদৰ অৰ্থ বেলেগ বেলেগ হৈ পৰে।

**সামৰণি ঃ**

ওপৰৰ আলোচনাৰ পৰা আমি এই সিদ্ধান্তলৈ আহিব পাৰোঁ যে টী.বী. কপালী শাস্ত্ৰীয়ে মন্ত্ৰগত পদৰ দুই প্ৰকাৰৰ অৰ্থ স্বীকাৰ কৰিছে। ১। বাহ্য আৰু ২। আন্তৰিক। কিন্তু তেওঁ বাহ্য অৰ্থক গুৰুত্ব প্ৰদান কৰা নাই। প্ৰতিটো পদৰ আন্তৰিক অৰ্থ প্ৰদান কৰিবলৈ শাস্ত্ৰীদেৱে অহোপুৰুষাৰ্থ কৰিছে। আন্তৰিক অৰ্থ অবিহনে পদৰ পূৰ্ণতা অনুভৱ কৰিব নোৱাৰি। সেয়েহে, তেওঁৰ দৃষ্টিত আন্তৰিক অৰ্থই মুখ্য। ইয়াৰোপৰি, শাস্ত্ৰীপ্ৰদত্ত ব্যাখ্যাৰ অইন এক গুৰুত্বপূৰ্ণ দিশ হৈছে—মন্ত্ৰগত পদৰ অৰ্থৰ নিৰ্দ্ধাৰণ মন্ত্ৰৰ দ্বাৰাই কৰা। যেনেদৰে, ভদ্ৰ' বা দক্ষ' পদৰ ক্ষেত্ৰত শাস্ত্ৰীদেৱে কৰিছে। সামৰণিত ক'ব পাৰি যে ভাষ্য প্ৰদানৰ ক্ষেত্ৰত টী.বী. কপালী শাস্ত্ৰীদেৱৰ অৱদান অতি গুৰুত্বপূৰ্ণ।

**সন্দৰ্ভ সূচী ঃ**


১। ঋগ্‌ভাষ্যভূমিকা, পৃষ্ঠা ১৩

২। পূৰ্বোক্ত গ্ৰন্থ, পৃ. ১৭-১৮

৩। নিৰুক্ত প্ৰথম অধ্যায়।

৪। ঋগ্‌ভাষ্যভূমিকা, পৃষ্ঠা ১৮

৫। পূৰ্বোক্ত সন্দৰ্ভ

৬। ঋগ্‌ভাষ্যভূমিকা, পৃষ্ঠা ২০

৭। পূৰ্বোক্ত সন্দৰ্ভ

৮। ঋগ্‌বেদ ১/১/১

৯। কপালী শাস্ত্ৰী, ঋগ্‌ভাষ্য ১/১/১

১০। সায়ণ, ঋগ্‌ভাষ্য ১/১/১

১১। দয়ানন্দ, ঋগ্‌ভাষ্য ১/১/১

১২। ঋগ্‌ভাষ্য ১/১/১

১৩। ঋগ্‌ভাষ্যভূমিকা, পৃষ্ঠা ৭২

১৪। পূৰ্বোক্ত সন্দৰ্ভ

১৫। स्वयं देवः सन् अन्यान् यज्ञे समुपस्थितान् कर्तुमाहवयति। एवमाहवानप्रभुरग्निः। ঋগ্‌ভাষ্যভূমিকা, পৃষ্ঠা ১/১/১

১৬। ঋগ্‌ভাষ্য ১/১/১

১৭। পূৰ্বোক্ত সন্দৰ্ভ

১৮। ঋগ্‌বেদ ১/১/৬

১৯। ঋগ্‌বেদ ৫/৮২/৫

২০। ঋগ্‌বেদ ৫/৮২/৪

২১। ঋগ্‌বেদ ১/১/৫

২২। শাস্ত্ৰী, জ্ঞানপ্ৰকাশ ঃ, ऋग्वेद के भाष्यकार और मन्त्रार्थ दृष्टि, পৃষ্ঠা ৭৬৯

২৩। ঋগ্‌বেদ ১/২/৩

২৪। दक्ष इति बलमास्तु पठितम्। নিঘণ্টু, পৃ. ২/৯

২৫। ঋগ্‌ভাষ্য ১/২/৩

২৬। পূৰ্বোক্ত সন্দৰ্ভ

২৭। স্কন্ধ ভাষ্য, ঋক্ ১/২/৭

২৮। সায়ণ ভাষ্য, ঋক্ ১/২/৭

২৯। দয়ানন্দ ভাষ্য, ঋক্ ১/২/৭

**গ্ৰন্থ সূচী ঃ**


১। টী.বী. কপাল শাস্ত্ৰীৰ ঋগ্‌ভাষ্যভূমিকা, শ্ৰীঅৰবিন্দ আশ্ৰম প্ৰেছ, পণ্ডিচেৰী, ১৯৬২

২। ঋগ্‌বেদসংহিতা, শ্ৰীসায়ণাচাৰ্যকৃত ভাষ্য এবং ভাষ্যানুবাদসহিত, ড° ভীষ্মদত্ত শৰ্মাৰ দ্বাৰা অনুদিত, চৌখম্বা কৃষ্ণদাস একাডেমী, বাৰাণসী, ২০১৩

৩। স্বামী দয়ানন্দৰ ঋগ্‌বেদভাষ্য, বিজয় কুমাৰ গোবিন্দৰাম হাজানন্দ, দিল্লী, ২০১৮

৪। নিৰুক্ত, ড° যমুনা পাঠকৰ দ্বাৰা সম্পাদিত, চৌখম্বা সংস্কৃত ছিৰিজ, অফিচ, বাৰাণসী, ২০১০

৫। কাশ্যপ, আৰ. এল. ঃ টী.বী. কপালী শাস্ত্ৰী, হিজ্ স্পিৰিটুৱেল লাইফ ইন হিজ্ অউন ৰৰ্ডছ, শ্ৰীঅৰবিন্দ কপালী শাস্ত্ৰী ইন্‌ষ্টিটিউট অৱ বেডিক কালচাৰ।

৬। নন্দকুমাৰ, পি. ঃ টী.বী. কপালী শাস্ত্ৰী, দ্য বিল্ডাৰ্ছ' অব্ ইণ্ডিয়ান ফিল'ছফি ছিৰিজ, মুন্সিৰাম মনোহৰলাল পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, ১৯৯৮

৭। শাস্ত্ৰী, জ্ঞান প্ৰকাশ ঃ ঋগ্বেদ কে ভাষ্যকাৰ ঔৰ উনকী মন্ত্ৰাৰ্থ দৃষ্টি, মহৰ্ষি সন্দীপনী বেদবিদ্যা প্ৰতিষ্ঠানম, উজ্জয়িনী, ২০১২।

# ভট্টদেৱৰ কথা গীতাঃ এটি বিশ্লেষণ
# Kāthāgitā of Bhattadev : An Analysis

ড° মৌচুমী ভাগৱতী

**Abstract**

Bhattadev was the father of Assamese prose literature. According to the instruction of his Guru, Sri Damodar Dev, he transtated Sanskrit philosophical texts Srimadbhagavadgita and Bhakti- Ratnavali to Assamese. The purpose was to simplify the texts for 'Women' and 'Shudras' who did not have access to education at that time. Bhattadev's Srimadbhagavadgita is more of a gist or summary than an actual translations. Considering the fact that he was a sanskrit scholar, he used a lot of Sanskrit words, also a lot of Kamrupi words and old Assamese words in his writings. From his writing one can infer that he firmly preached that 'Karma is Dharma'. Bhattadeva has earned special place not only in Assamese prose literature but in Indian literature as well.

**Key words:** Bhattadev, Prose liturature, translation, Sanskrit words, Katha-Gita.

**প্ৰস্তাৱনা ঃ**

সাহিত্য হৈছে ৰস আস্বাদনৰ মাধ্যম। সৃষ্টিৰ মূলতেই হৈছে মানুহক মনৰ আনন্দ প্ৰদান কৰা। শুনোতাৰ মন আকৰ্ষণ কৰিবলৈ ছন্দোৱদ্ধ আৰু সংগীতধৰ্মী কাব্যই হৈছে উৎকৃষ্ট ৰচনা। সংস্কৃত সাহিত্যৰ অনুবাদ আৰু অনুকৰণত গঢ়ি উঠাৰ বাবে পুৰণি অসমীয়া সাহিত্য আছিল গীত প্ৰধান আৰু পদাৱলীত লিখা সাহিত্য। মানুহৰ কথা-বতৰা, আলাপ-আলোচনা গদ্যত কৰা হয় যদিও সাহিত্যৰ বুৰঞ্জীত গদ্য ৰচনাৰ জন্ম পদ্যতকৈ পিছত হৈছিল। অসমীয়া সাহিত্যৰ প্ৰাচীনতম নিদৰ্শন গীত-পদতহে পোৱা গৈছিল। অসমীয়া সাহিত্যৰ আদি যুগ পদ্য প্ৰধান আছিল। কবিতাৰ বিষয় নোহোৱা লিখনিতো ছন্দ প্ৰয়োগ হৈছিল। অসমীয়া সাহিত্যৰ ইতিহাস চাবলৈ গ'লে দেখা যায় যে মানুহৰ মুখে মুখে লোক সাহিত্য বা জন সাহিত্য বা মৌখিক সাহিত্য প্ৰচলিত আছিল। লোকগীত, সাধুকথা, ফকৰা-যোজনা, প্ৰবচন, ডাকৰ বচন আদি লোক সাহিত্যৰ বিষয় আছিল। ইয়াৰ পিছত চৰ্য্যাপদত অসমীয়া লিখিত সাহিত্যৰ কিছু নিদৰ্শন প্ৰতিফলিত হৈছিল। তাৰ পিছত প্ৰাকশংকৰী যুগৰ সাহিত্যও পদাৱলীতে লিখা হৈছিল। মাধৱ কন্দলীৰ ৰামায়নখনেই আছিল প্ৰাক্-শংকৰী যুগৰ শ্ৰেষ্ঠ নিদৰ্শন। শংকৰী যুগত মহাপুৰুষ শংকৰদেৱে নাটকত গদ্য ব্যৱহাৰ কৰিছিল যদিও তাৰ ভাষা ব্ৰজাৱলী আৰু ছন্দ

অলংকাৰযুক্ত সুৰীয়া ভাষা আছিল। সেয়েহে শংকৰদেৱৰ গদ্যক আমি প্ৰকৃত অসমীয়া গদ্য বুলি ক'ব নোৱাৰো।

অসমীয়া গদ্য সাহিত্যৰ জনক বুলি ক'বলৈ গ'লে আমি ভট্টদেৱৰ নাম ল'ব লাগিব। তেখেতৰ সম্পূৰ্ণ নাম আছিল কবিৰত্ন বৈকুণ্ঠনাথ ভাগৱত ভট্টাচাৰ্য। বৈকুণ্ঠনাথে বৰনগৰৰ ব্ৰাহ্মণ সমাজৰ পৰা 'ভাগৱত ভট্টাচাৰ্য' উপাধি লাভ কৰিছিল। ভাগৱতত বিশেষ ব্যুৎপত্তি থকাৰ বাবেই তেখেতে এই উপাধি লাভ কৰিছিল। সেইদৰে ভট্টদেৱে কবিৰত্ন উপাধিও লাভ কৰিছিল।

ভট্টদেৱৰ পিতৃৰ নাম পুৰুষোত্তম আৰু মাতৃৰ নাম তাৰাদেৱী আছিল। ভট্টদেৱৰ ঘৰ বজালীৰ ওচৰৰ বিষাণকুছি বুলি জনা যায়। ১৫৫৮ চনত কামৰূপৰ বৰনগৰ অঞ্চলৰ ভেৰাগ্ৰামত ভট্টদেৱৰ জন্ম বুলিও কোনো কোনোৱে কয়। পিতৃৰ নাম চন্দ্ৰভাৰতী বুলিও কিছুলোকে কয়। ভট্টদেৱৰ পিতৃৰ নাম, জন্মৰ ঠাই আৰু জন্মৰ চনলৈ কিছু মতভেদ দেখা যায়।

ভট্টদেৱে ভেৰাগাঁৱত থাকোতে দামোদৰদেৱে পাটবাউসীত সত্ৰ পাতি আছিল আৰু অসমৰ চাৰিওফালে ভাগৱতী বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিছিল। সেইসময়ত দামোদৰদেৱৰ আধ্যাত্মিক জীৱনৰ কথা চৌদিশে বিয়পি পৰিছিল। সেইসময়ত ভট্টদেৱে পিতৃৰ আজ্ঞা অনুসৰি দামোদৰদেৱৰ ওচৰত শৰণ ল'বলৈ পাটবাউসীলৈ গৈছিল। দামোদৰদেৱে ভট্টদেৱক লগ পাই পৰম আনন্দ লাভ কৰিছিল আৰু কিছুদিন ভট্টদেৱক পাটবাউসীত ৰাখি ভাগৱত পঢ়িবলৈ দিছিল। ভট্টদেৱে পাটবাউসীত ভাগৱত পাঠ কৰি সৰ্বজনপ্ৰিয় হৈ উঠিছিল। সেইসময়ত বৰনগৰৰ মুখীয়ালসকলে আহি ভট্টদেৱক বৰনগৰলৈ নি, ভট্টদেৱৰ মুখেৰে ভাগৱত ব্যাখ্যা শুনি মুগ্ধ হৈ পৰিছিল আৰু ভট্টদেৱক বৰনগৰীয়া মুখীয়ালসকলে মিলি 'কবিৰত্ন' উপাধি প্ৰদান কৰিছিল। ভট্টদেৱে দামোদৰদেৱক লগ পোৱাৰে পৰা তেওঁৰ জীৱনৰ গতি সলনি হয়। দামোদৰ দেৱে ভট্টদেৱক এইদৰে কৈছিল-

"আৰু এক জগত ঈশ্বৰ আজ্ঞা ধৰা।
কথাবন্ধে একখণ্ড ভাগৱত কৰা।।
পূৰ্ব্বে মহাপুৰুষে কৰিলা দশস্কন্ধ।
কীৰ্ত্তন, ভটিমা, ছবি, দুলৰী, সুছন্দ।।
তাত কৰি সুগম কৰিয়ো ভাগৱত।
স্ত্ৰী-শূদ্ৰ সৰ্ব্বলোকে বুঝে যেন মত।।"

"স্ত্ৰী-শূদ্ৰ সৰ্ব্বলোকে বুঝে যেন মত" এই কথাখিনি শিৰত লৈ ভট্টদেৱে প্ৰথমতে ভাগৱত তাৰ পিছত গীতা আৰু তাৰ পিছত ভক্তি-ৰত্নাৱলী গদ্যত অনুবাদ কৰিছিল। অৰ্থাৎ সেইসময়ত মহিলাসকল সিমান শিক্ষিত নাছিল। সমাজত কৰ্ম বিভাজন আছিল। যেনে-ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰ এই চাৰিশ্ৰেণীৰ ভিতৰত শূদ্ৰ আছিল কিছু নিম্নশ্ৰেণীৰ লোক। ব্ৰাহ্মণ, ক্ষত্ৰিয় আৰু বৈশ্য এই তিনিশ্ৰেণীক শূদ্ৰই সেৱা শুশ্ৰূষা কৰিছিল। সেয়েহে গুৰু দামোদৰদেৱে ভট্টদেৱক মহিলাসকলৰ লগতে নিম্নশ্ৰেণীৰ মানুহ, শূদ্ৰসকলেও যাতে বুজিব পাৰে, তেনেদৰে ভাগৱত খণ্ড সংস্কৃতৰ পৰা অসমীয়ালৈ অনুবাদ কৰিবলৈ কৈছিল।

**মূল বিষয়বস্তু ঃ**

কথা-গীতাৰ পাতনিত পণ্ডিত হেমচন্দ্ৰ গোস্বামীদেৱে লিখিছে যে-"কথা-ভাগৱতৰ ভাষাতকৈ কথা-গীতাৰ ভাষা বেছি কোমল আৰু সৰল। কথা-ভাগৱতত যিমান পুৰণি অপ্ৰচলিত শব্দৰ ব্যৱহাৰ দেখিবলৈ

পোৱা যায় কথা-গীতাত সিমান নাই। কথা-ভাগৱতৰ ৰচনাতকৈ কথা-গীতাৰ ৰচনা বেছি প্ৰাঞ্জল আৰু মধুৰ।"[২] পণ্ডিত হেমচন্দ্ৰ গোস্বামীদেৱে কৈছে যে "অসমীয়া গদ্য সাহিত্যৰ সৃষ্টি কাৰ্যত ভট্টদেৱ যন্ত্ৰ মাথোন, দামোদৰদেৱহে যন্ত্ৰী"[৩]। যন্ত্ৰ এটা নিজে নিজে নচলে। যন্ত্ৰ বা মেচিন চলাবলৈ এজন যন্ত্ৰচালক বা যন্ত্ৰী লাগে। সেই ক্ষেত্ৰত ভট্টদেৱ যেন এটা যন্ত্ৰহে। সেই যন্ত্ৰটো চলাইছিল গুৰু দামোদৰদেৱে। যিদৰে গুৰুৱে আজ্ঞা কৰিছে সেইমতেই শিষ্যই লিখি গৈছে। সেয়েহে পুনৰ সহজকৈ আৰু চমুকৈ লিখিবলৈ কৈছিল। ভট্টদেৱে গুৰুৰ কথা আখৰে আখৰে পালন কৰি পুনৰ লিখি গুৰুক যেতিয়া দেখুৱাইছিল, সেইসময়ত গুৰু দামোদৰদেৱ শয্যাশায়ী অৱস্থাত আছিল। কিন্তু দামোদৰদেৱে ভট্টদেৱৰ লিখনি পাই পৰম আনন্দ লাভ কৰিছিল। সেই একে সময়তে দামোদৰদেৱৰ ভতিজাক এজনে দামোদৰদেৱলৈ বহুত মিঠাই আৰু অন্যান্য খাদ্যলৈ আহিছিল। যিহেতু দামোদৰদেৱৰ গা বেয়া আছিল। কিন্তু তেনে খাদ্যলৈ দামোদৰদেৱে কেৰাহিকৈও চোৱা নাছিল। কেৱল ভট্টদেৱৰ কথা-ভাগৱত পাই আনন্দিত হৈছিল। ভট্টদেৱৰ ৰচনা অনুবাদমূলক নহৈ ব্যাখ্যামূলক হৈছিল। প্ৰথমতে ভাগৱত, তাৰ পিছত গীতা আৰু তাৰ পিছত ভক্তি-ৰত্নাৱলী গদ্যত ভট্টদেৱে লিখিছিল। সংস্কৃতৰ পৰা অসমীয়ালৈ অনুবাদ কৰোঁতে সেই সময়ত কোনো অভিধান ভট্টদেৱে পোৱা নাছিল। লগতে বিষয় বস্তুবোৰ দাৰ্শনিকতত্ত্বমূলক আছিল। সেই সময়ত ভট্টদেৱে কিছু সহায়ৰ বাবে কোনো পণ্ডিত ব্যক্তিও পোৱা নাছিল। সেয়েহে ভট্টদেৱে অনুবাদ কৰোঁতে প্ৰতিটো শব্দ ব্যাখ্যা কৰি বুজাবলগীয়া হৈছিল। যিহেতু গুৰুৱে "শ্ৰীশূদ্ৰ সৰ্ব্বলোকে বুঝে যেন মত" এই কথাষাৰ কৈ থৈছিল। গতিকে ভাগৱত, গীতাৰ দৰে দাৰ্শনিক তত্ত্বমূলক সংস্কৃত ৰচনা মহিলাসকলক আৰু শূদ্ৰ অৰ্থাৎ নিম্নশ্ৰেণীৰ মানুহক বুজাবৰ বাবে প্ৰতিটো সংস্কৃত শব্দ ভাঙি ভাঙি তন্নতন্নকৈ মুকলি ভাৱেৰে বুজাবলগীয়া হৈছিল। যাৰফলত ভট্টদেৱৰ ৰচনা অনুবাদমূলক নহৈ ব্যাখ্যামূলক হৈছিল। কথা-ভাগৱত, কথা-গীতা আৰু কথা-ৰত্নাৱলীৰ দৰে অতি প্ৰসিদ্ধ আৰু পবিত্ৰ তত্ত্বপ্ৰধান সংস্কৃত শাস্ত্ৰ অসমীয়া গদ্যলৈ ৰূপান্তৰ কৰি ভট্টদেৱে অসমীয়া ভাষাক উচ্চ মৰ্যাদা প্ৰদান কৰাৰ লগে লগে তত্ত্বগধুৰ প্ৰকাশৰ সহজ বাহনৰূপে অসমীয়া গদ্য ভাষাক থিয় কৰাইছে।

ভট্টদেৱে কথিত গদ্য ভাষা গ্ৰহণ নকৰি কথ্যভাষাৰে এটা সাধু অৰ্থাৎ মান্য গম্ভীৰৰূপ গদ্যত ব্যৱহাৰ কৰিছে। কুৰুক্ষেত্ৰ মহাসমৰত যেতিয়া কৌৰৱ আৰু পাণ্ডৱ উভয় পক্ষই সমবেত হৈছিল তেতিয়া পাণ্ডৱৰ পক্ষৰ অৰ্জুনে এবাৰ বিপৰীত পক্ষতনো কোন আছে বা কাৰ বিপক্ষে যুদ্ধ কৰিব লাগিব সেয়া চাব বিচাৰিছিল। অৰ্জুনৰ ৰথৰ সাৰথি আছিল শ্ৰীকৃষ্ণ। অৰ্জুনে বিপৰীত পক্ষত পিতামহ ভীষ্ম, গুৰু দ্ৰোণাচাৰ্যকে আদি কৰি ধৃতৰাষ্ট্ৰৰ এশপুত্ৰ অৰ্থাৎ তেওঁৰ ভাই-ককাইসকলক দেখি যুদ্ধ নকৰে বুলি কৈছিল। অৰ্জুনৰ হাতৰ পৰা ধনু-কাড় পৰি গৈছিল, গাৰ নোম শিয়ৰি উঠিছিল। আত্মীয়-স্বজন, গুৰু, পিতামহ ভীষ্ম আদিৰ বিপক্ষে যুঁজি ৰাজ্য লাভ কৰাতকৈ অৰ্জুনে ভিক্ষা বৃত্তিয়েই ভাল বুলি কৈছিল। সেয়েহে শ্ৰীকৃষ্ণই অৰ্জুনক দিয়া বুজনিখিনিয়েই হৈছে গীতাৰ কথা। গীতাৰ কথাক শ্ৰীকৃষ্ণৰ মুখনিঃসৃত বাণী বুলি কোৱা হয়। অৰ্থাৎ শ্ৰীকৃষ্ণৰ নিজ মুখেৰে নিগৰি ওলোৱা কথাই হৈছে গীতাৰ কথা। স্ত্ৰী-শূদ্ৰ-চণ্ডাল সকলোৱে সহজে বুজিব পৰাকৈ অনুবাদ কৰাই ভট্টদেৱৰ উদ্দেশ্য আছিল। ভট্টদেৱৰ কৃতকাৰ্যতাৰ মূলতেই আছিল কথ্য ভাষাৰ ব্যৱহাৰ।

ভট্টদেৱে কথা-গীতাৰ আৰম্ভণিতে শ্ৰীকৃষ্ণৰ গুণ-গান গাই তেওঁ যে বিশাল ব্যক্তিত্বৰ অধিকাৰী তাৰ এটি সুন্দৰ আভাস দি শ্ৰীকৃষ্ণৰ চৰণত নিজকে আত্মসমৰ্পণ কৰিছে। কথা-গীতা লিখোতে ভট্টদেৱে শ্ৰীধৰী,

শাঙ্কৰী, দামোদৰী, ভাস্কৰী এই চাৰিওটা টীকা বা অৰ্থ ভাঙণিৰ ক্ষেত্ৰত শ্ৰীধৰী টীকাতেই বিষয়বস্তু বিশ্লেষণ কৰিছে। ইয়াৰ কাৰণ ভট্টদেৱে কথা-গীতাৰ আৰম্ভণিতে বৰ্ণনা কৰিছে-"যদ্যপি আমি শ্ৰীকৃষ্ণৰ প্ৰসাদে শ্ৰীধৰী, শাঙ্কৰী, দামোদৰী, ভাস্কৰী এই চাৰিও টীকা বিচাৰ কৰিছিল, তথাপি প্ৰায় শ্ৰীধৰী টীকাৰ মতে কথা নিবন্ধিবোঃ তাহাৰ যুক্তি শুনা। শাঙ্কৰী টীকা জ্ঞানক প্ৰধান কৰি ব্যাখ্যা কৰে, ভাস্কৰী কৰ্মক প্ৰধান কৰে, শ্ৰীধৰী ভক্তি মাত্ৰ নিৰূপণ কৰে, দামোদৰী তিনিও যোগ সম কহে, এতেকে বৈষ্ণৱ সকলৰ প্ৰীতিৰ অৰ্থে ভক্তি প্ৰধান টীকাৰ মতকে প্ৰায় লিখিবো; ভক্তিৰ অনুকূল দেখি কিছো কিছো তাৰাৰ মতকো নিবন্ধিবো"[৪]।

কথা-গীতাখনত ভক্তিক প্ৰাধান্য দি ভট্টদেৱে অনুবাদ কৰিছে। শ্ৰীধৰী টীকাত আৰম্ভণিতেই ইষ্ট দেৱতাক স্মৰণ কৰি অৰ্থাৎ মাধৱক বন্দনা কৰি উমাপতি, বিশ্বনাথকো প্ৰণাম জনাইছে। ভট্টদেৱৰ গীতাৰ টীকাৰ নাম হ'ল সুবোধিনী টীকা। শ্ৰীমদ্ভাগৱতগীতাৰ অসমীয়া অনুবাদৰ প্ৰথম অধ্যায়টোক 'অৰ্জুনৰ-বিষাদ যোগ' বুলি কোৱা হৈছে। এই বিষাদ-যোগত ধৃতৰাষ্ট্ৰই মন্ত্ৰী সঞ্জয়ক ধৰ্মভূমি কুৰুক্ষেত্ৰত তেওঁৰ পুত্ৰসকলে যুঁজৰ বাবে কেনেদৰে সমবেত হৈছে, কি কি অস্ত্ৰ লৈছে, কৌৰৱৰ পক্ষত কোন সমৱেত হৈছে আৰু পাণ্ডৱৰ পক্ষত কোন আছে, কোনে কি বাদ্য বজাইছে ইত্যাদি কথা সুধিছে। মন্ত্ৰী সঞ্জয়ে সুন্দৰকৈ উভয় পক্ষৰ সৈন্যসকলৰ কথা, তেওঁলোকে কেনেদৰে সমৱেত হৈছে, কি কি অস্ত্ৰ লৈছে, কি কি বাদ্য বজাইছে, এই সকলো কথা বিষদভাৱে ধৃতৰাষ্ট্ৰক জনাইছে। কথা-গীতাৰ দ্বিতীয় অধ্যায়টো 'সাংখ্য-যোগ'। সঞ্জয়ে অৰ্জুনে যুদ্ধ নকৰিবলৈ স্থিৰ কৰাৰ পাছত কি হ'ল সেই কথা ধৃতৰাষ্ট্ৰই জানিব বিচৰাত সকলো বিৱৰি কৈছে। অৰ্জুনে যুদ্ধ কৰিবলৈ শোকাকুল হোৱাত শ্ৰীকৃষ্ণই তেওঁক বুজনি দিছিল। শ্ৰীকৃষ্ণই অৰ্জুনক কৈছিল যে যুদ্ধৰ সংকট মুহূৰ্তত মোহ ত্যাগ কৰি নিজৰ কৰ্ত্তব্য পালন কৰা উচিত। যিহেতু অৰ্জুন এজন ক্ষত্ৰিয়। সেয়েহে ক্ষত্ৰিয়ৰ ধৰ্ম হৈছে যুদ্ধ কৰা। অৰ্জুনৰ বিপক্ষে কোনে যুদ্ধ কৰিব, কোন মৰিব সেইবোৰ কথা চিন্তা কৰা উচিত নহয়। যুদ্ধক্ষেত্ৰত অৱতীৰ্ণ হৈ নিজৰ কৰ্তব্য পালন কৰাই হৈছে প্ৰকৃত ধৰ্ম। যেতিয়া অৰ্জুনে যুদ্ধ নকৰে বুলি মৌন হৈ আছিল তেতিয়া শ্ৰীকৃষ্ণই দেহাত্মা-বিবেকৰ কথা কৈ অৰ্জুনৰ মোহ দূৰ কৰিবলৈ চেষ্টা কৰিছিল। যুদ্ধক্ষেত্ৰত আত্মীয়-স্বজনৰ মৃত্যু হ'ব বুলি দুখ কৰা উচিত নহয় বুলি শ্ৰীকৃষ্ণই কৈছিল। শৰীৰধাৰী পুৰুষৰ দেহত কৌমাৰ, যৌৱন, জৰা আদি অৱস্থা পায়। দেহান্তৰপ্ৰাপ্তিও তেনে এটা অৱস্থাহে বুলি কৈছিল। মানুহ মৰিলেও, আত্মাৰ কেতিয়াও বিনাশ নহয়। এই আত্মা অবিনাশী, অক্ষয়, অব্যয়। শৰীৰৰ বিনাশ হ'লেও আত্মাৰ কেতিয়াও বিনাশ নহয়। আত্মাই সদায় এটা দেহৰ পৰা আন এটা দেহলৈ গতি কৰে। মানুহে যেনেকৈ এখন বস্ত্ৰ ফাটিলে আন এখন নতুন বস্ত্ৰ লয় আত্মায়ো তেনেকৈ এটা দেহৰ নাশ হ'লে আন এটা দেহলৈ যায়। ন্যায় যুদ্ধৰ বাহিৰে ক্ষত্ৰিয়ৰ বাবে আন একো শ্ৰেষ্ঠ নহয়। এই যুদ্ধ ত্যাগ কৰিলে অৰ্জুনৰ ধৰ্ম আৰু কীৰ্ত্তি দুয়োটাই নাশ হ'ব আৰু পাপ হ'ব বুলি কৈছে। অৰ্জুনে ভীষ্ম আদিক বধ কৰিলে পাপ হ'ব বুলি কোৱা কথাৰ উত্তৰত শ্ৰীকৃষ্ণই কৈছে যে সুখ-দুখ, লাভ-অলাভ, জয়-পৰাজয় সকলো সমান। তাৰবাবে হৰ্ষ-বিষাদ নকৰি স্বধৰ্মত থাকি যুদ্ধ কৰাটোৱেই হৈছে প্ৰকৃতধৰ্ম। অৰ্জুনক জ্ঞানযোগ আৰু কৰ্মযোগৰ কথা কৈ শ্ৰীকৃষ্ণই বুজনি দিছিল। শ্ৰীকৃষ্ণই বুজাইছে যে যেনেকৈ জলাশয়, নাদ আদিত স্নান-পান কৰিলে যি হয়, ডাঙৰ হ্ৰদত স্নান-পান কৰিলেও সেইফলেই হয়, সেইদৰে বেদোক্ত কৰ্মত যি ফল পোৱা যায় ব্ৰহ্মজ্ঞানীজনেও সেইফলেই পায়। সকলো কৰ্মৰ ফল পৰমেশ্বৰৰ আৰাধনাতে পোৱা যায়। শ্ৰীকৃষ্ণই অৰ্জুনক ঈশ্বৰত শৰণ লৈ জ্ঞান সাধন, নিষ্কাম কৰ্মযোগ আচৰণ কৰিবলৈ উপদেশ দিছে। নিষ্কাম

কৰ্মযোগী অতি শ্ৰেষ্ঠ। তেওঁ ঈশ্বৰৰ অনুগ্ৰহত এই জীৱনতে পাপ-পূণ্যৰ পৰা হাত সাৰে। সেয়েহে ঈশ্বৰৰ অৰ্থে কৰ্ম কৰিবলৈ অৰ্জুনক শ্ৰীকৃষ্ণই উপদেশ দিছিল। ইয়াৰ পাছত অৰ্জুনে শ্ৰীকৃষ্ণৰ পৰা স্থিতপ্ৰজ্ঞৰ বচন, আচৰণ, গমন কেনেকুৱা তাক জানিবলৈ বিচাৰিছিল। শ্ৰীকৃষ্ণই অৰ্জুনক বুজাই কৈছিল যে সিদ্ধ পুৰুষৰ লক্ষণেই হৈছে স্থিতপ্ৰজ্ঞৰ লক্ষণ। যেতিয়া পুৰুষে আত্মসুখত তুষ্ট হৈ ক্ষুদ্ৰ বিষয় অভিলাস ত্যাগ কৰে তেতিয়াই স্থিতপ্ৰজ্ঞ হৈ পৰে। যিসকলৰ দুখতো ক্ষোভ নাথাকে, সুখতো স্পৃহা নাই, ক'তো প্ৰীতি আৰু ভয় নাথাকে অৰ্থাৎ যিসকলে দুখতো অতি দুঃখিত নহয় আৰু আনন্দতো আপোন-পাহৰা নহয়, যিসকলে কোনো ঠাইতে স্নেহাৱদ্ধ হৈ নাথাকে, সেয়ে স্থিতপ্ৰজ্ঞ। সেয়েহে শ্ৰীকৃষ্ণই অৰ্জুনক স্থিতপ্ৰজ্ঞ হ'বলৈ কৈছিল। ইন্দ্ৰিয়বিলাকক বিষয় সুখৰ পৰা বিৰত ৰখাই হৈছে স্থিতপ্ৰজ্ঞ। ইন্দ্ৰিয় দমন কৰিব নোৱাৰিলে। স্থিতপ্ৰজ্ঞ হ'ব নোৱাৰে, মন বান্ধিব নোৱাৰিলে ইন্দ্ৰিয়ক দমন কৰিব নোৱাৰি। বিষয় চিন্তা কৰিলে পুৰুষৰ মনত আসক্তি জন্মে, আসক্তি জন্মিলে কাম ভাব জন্মে, কামৰ পৰা ক্ৰোধ, ক্ৰোধ হ'লে কৰণীয়-অকৰণীয় ভাৱ দূৰ হয়, তেতিয়াই ভ্ৰম হয় আৰু ভ্ৰম হ'লেই বুদ্ধি নাশ হয়। ইন্দ্ৰিয় বশ নহ'লে বিষয়ত লিপ্ত হয় আৰু লগে লগে পুৰুষৰ বৃদ্ধি হৰণ হয়। প্ৰচণ্ড বতাহে যেনেকৈ নৌকা ইফালে-সিফালে ঘূৰাই লৈ ফুৰে তেনেকৈ অজ্ঞানীজনৰো মন বিষয় সুখত ভ্ৰমি ফুৰে। এতেকে যিজনে ইন্দ্ৰিয় সুখৰ পৰা আঁতৰত থাকিব পাৰে, তেওঁকেই স্থিতপ্ৰজ্ঞ বুলিব পাৰি। এইদৰে বুজনি দি শ্ৰীকৃষ্ণই অৰ্জুনক যুদ্ধক্ষেত্ৰত অৱতীৰ্ণ কৰাইছিল। গীতাখন পঢ়িলে এনে লাগে যেন ধৰ্মালোচনাহে কৰা হৈছে। অৰ্জুনে বিভিন্ন প্ৰশ্ন কৰিছে আৰু শ্ৰীকৃষ্ণই সুন্দৰকৈ বুজনি দি গৈছে। এনেদৰে কথা-গীতাৰ জৰিয়তে কৰ্মযোগ, জ্ঞানযোগ সম্বন্ধে বিভিন্ন কথা জানিব পাৰোঁ।

**ভট্টদেৱৰ গদ্য ঃ**

পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে কথা ভাগৱতৰ গদ্যতকৈ কথা-গীতাৰ গদ্য বেছি কোমল আৰু সৰল বুলি উল্লেখ কৰিছে। কথা-ভাগৱত ভট্টদেৱৰ প্ৰথম ৰচনাৰ বাবে তাত কিছু ভুল-ক্ৰটি ৰৈ গৈছিল। কিন্তু কথা-গীতাত সেইবোৰ কিছু পৰিমাণে দূৰ হৈছে আৰু গদ্য কিছু সৰল আৰু বেছি ৰসাল হৈছে। কথা-গীতাৰ ৰচনাশৈলী প্ৰাঞ্জল আৰু মধুৰ। ভট্টদেৱে চুটি চুটি বাক্যৰে ব্যাপক ভাব প্ৰকাশ কৰিবলৈ সক্ষম হৈছে। মূল তত্বপূৰ্ণ দাৰ্শনিকভাৱ ভট্টদেৱে সুন্দৰকৈ নিজৰ ভাষাৰে ব্যক্ত কৰিছে। চিত্ৰধৰ্মিতা ভট্টদেৱৰ গদ্যশৈলীৰ প্ৰধান লক্ষণ। বহুক্ষেত্ৰত তেওঁ দুটা শব্দ লগলগাই চুটি কৰিছে। যেনে নসম্ভৱে (সম্ভৱ নহয়), নিয়মি (নিয়ম কৰি), অনুসৰিব (অনুসৰণ কৰিব) ইত্যাদি। চুটি চুটি বাক্যবোৰৰ অৰ্থ আৰু গঠনৰীতি মনকৰিবলগীয়া, যেনে-যুধিষ্ঠিৰৰ আগে ভীষ্মে কহিছা, অৰ্থৰ দাস পুৰুষ, অৰ্থ কাৰো দাস নহে, আক তুমি সত্য জানিবা। ভট্টদেৱ আছিল সংস্কৃতত বিদগ্ধ পণ্ডিত। সেয়েহে তেখেতৰ ৰচনাত যথেষ্ট পৰিমাণে সংস্কৃত শব্দৰ প্ৰয়োগ দেখা যায়। বিশেষকৈ সম্বন্ধবাচক বিশেষ্য শব্দবোৰ সংস্কৃতত থকাৰ দৰে ভট্টদেৱে ব্যৱহাৰ কৰিছে। যেনে-পিতৃ, পিতৃব্য, পিতামহ, মাতুল, ভাতৃ, ভাতৃ-পুত্ৰ, পৌত্ৰ ইত্যাদি। যদিবোলা, যি বুলিছা, এতেকে, পাছে আদি খণ্ডবাক্যৰ ব্যৱহাৰ অধিক পৰিমাণে দেখা যায়। ভট্টদেৱৰ শব্দ চয়ন, বাক্যগঠন, তথা গদ্যৰীতি কামৰূপী উপভাষাৰ কথিত ৰূপৰ যথেষ্ট ওচৰচপা আছিল। তেখেতৰ কামৰূপত জন্ম হোৱাৰ বাবেই ৰচনাত যথেষ্ট পৰিমাণে কামৰূপী শব্দৰ প্ৰয়োগ দেখা যায়। যেনে-শিকোৱা > শিখোৱা, নহয় > নহে, পুৰণি > পুৰাণ, নোপোৱা > নপোৱা আদি। ঘৰুৱা উপমাৰ প্ৰয়োগো যথেষ্ট দেখা যায়। ভট্টদেৱেৰ বিসৰ্গৰ ঠাইত মূৰ্দ্ধণ্য 'ষ' ব্যৱহাৰ কৰিছে। যেনে-দুষ্খ (দুঃখ)।

সেইদৰে কেতিয়াবা দ্বিত আখৰৰ ব্যৱহাৰ কৰা নাই। যেনে-ইচা (ইচ্ছা), আসন (আসন্ন) ইত্যাদি। যথেষ্ট পৰিমাণে অব্যয় শব্দৰ ব্যৱহাৰ ভট্টদেৱৰ গদ্যত দেখা যায়। যেনে-আউৰ, আৰো, তথাপি ইত্যাদি। কেতিয়াবা অব্যয় শব্দ ব্যৱহাৰ নকৰাকৈয়ো শব্দ সংযোগ কৰিছে। যেনে-মাৰে মৰে। ইয়াত সংযোগ অব্যয় নাই। বহুবচন বুজাবলৈ সৱ, সকল, গণ, বিস্তৰ ইত্যাদি প্ৰত্যয় ব্যৱহাৰ কৰিছে। ভট্টদেৱী গদ্যত সাতোটা বিভক্তিৰ ব্যৱহাৰ, তিনিটা পুৰুষৰ ব্যৱহাৰ দেখা যায়। নিষেধাৰ্থক 'ন' শব্দৰ আগত ব্যৱহাৰ হৈছে। কিন্তু ভট্টদেৱে মূল শব্দৰ প্ৰথম স্বৰবৰ্ণৰ লগত সমীভৱন সকলো ঠাইতে কৰা নাই। যেনে-নকৰে, নদেখোঁ, নকৰোঁ, নবান্ধো। যতি চিনৰ ব্যৱহাৰত কিছু ত্ৰুটি-বিচ্যুতি দেখা যায়। ভট্টদেৱৰ গদ্যত তিনিটা কালৰ ক্ৰিয়াৰ ব্যৱহাৰ দেখা যায়। মুঠতে ভট্টদেৱৰ গদ্যত যথেষ্ট নিজা ৰীতি নিৰন্ধন পৰিলক্ষিত হোৱা দেখা যায়।

**সামৰণি ঃ**

ভট্টদেৱ কেৱল অসমীয়া গদ্য সাহিত্যৰেই জনক নহয়। গদ্য সাহিত্যৰ ক্ষেত্ৰত ভট্টদেৱে গোটেই ভাৰতবৰ্ষৰ ক্ষেত্ৰতেই এক বিশিষ্ট স্থান অধিকাৰ কৰিছে। ভট্টদেৱে কথা বা গদ্যত ভাগৱত, গীতা আৰু ভক্তি-ৰত্নাৱলী অনুবাদ কৰাৰ এশ-ডেৰশ বছৰ পিছতহে ভাৰতবৰ্ষৰ প্ৰান্তীয় ভাষা, যেনে-হিন্দী, বাংলা আদি ভাষাত গীতা ভাগৱত গদ্যত অনুদিত হৈছিল। এই ক্ষেত্ৰত ভট্টদেৱে সমগ্ৰ ভাৰতবৰ্ষৰ ভিতৰতে গদ্য-সাহিত্যৰ ক্ষেত্ৰত শীৰ্ষস্থান অধিকাৰ কৰিছে। ভট্টদেৱ গদ্য সাহিত্যৰ ক্ষেত্ৰত সমগ্ৰ ভাৰতবৰ্ষৰ ভিতৰতে পথ প্ৰদৰ্শক।

**পাদটীকা ঃ**

১। ভৃগুমোহন গোস্বামী (সম্পাদক), ভট্টদেৱৰ কথা-গীতা, পৃষ্ঠা-৪।
২। বিৰিঞ্চি কুমাৰ বৰুৱা, অসমীয়া কথা-সাহিত্য, পৃষ্ঠা-১৯।
৩। বিৰিঞ্চি কুমাৰ বৰুৱা, অসমীয়া কথা-সাহিত্য, পৃষ্ঠা-১৯।
৪। ভৃগুমোহন গোস্বামী (সম্পাদক), ভট্টদেৱৰ কথা-গীতা, পৃষ্ঠা-৮।

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

১। গোস্বামী ভৃগুমোহন, ভট্টদেৱৰ কথা-গীতা, নিউ বুক ষ্টল, প্ৰকাশ-২০১৫ চন।
২। নাথ, প্ৰফুল্ল কুমাৰ, অসমীয়া কথা-সাহিত্য, বান্ধৱ, প্ৰকাশ-২০১৪ চন।
৩। বৰুৱা, বিৰিঞ্চি কুমাৰ ঃ অসমীয়া কথা সাহিত্য, জাৰ্ণাল এম্প'ৰিয়াম, প্ৰকাশ-১৯৮৪ চন।
৪। শৰ্মা, হেমন্ত কুমাৰ ঃ অসমীয়া সাহিত্যত দৃষ্টিপাত, বীণা লাইব্ৰেৰী, প্ৰকাশ -২০১৩ চন।

# *শ্ৰীমদ্ভগৱদ্গীতাত* মনঃসংযমৰ ধাৰণা
# Concept of Controlling the mind according to the *Śrīmadbhagavadgītā*

ড° ভাৰতী গোস্বামী

**Abstract**

The Śrimadbhagavadgītā, often reffered to as Gītā, is most widely read book of theistic science in the world. It is the essence of vedic knowledge and one of the most important Upaniṣad in vedic literature. Although, it porttrays only a coversation between Lord Śrikṛṣṇa and Arjuna, but in reality, this book is the foundation of Indian Philosophy. The various questions arising in the doubtful spinning mind of Arjuna regarding different matters of this universe are beautifully answered by Lord Śrikṛṣṇa in the Gītā. Though the backdrop of this creation is a warfront, but still this book depicts a real peace equation. The main purpose of this book is to entice a dejected Arjuna towards war, who, earlier decided net to fight because of the presence of all the venerated figures in the enemy side, like Bhīṣma, Droṇācārya etc. But in order to make it happen, the invigorating speech that Lord Śrikṛṣṇa delevered, had stayed as perpetual solution to the various questions of human mind. The Divine Being expresses his perpetual maxims as a solution to the various doubts and suspicious appearing in the mind of Arjuna. In the Gītā Lord Kṛṣṇa describes in detail about the importance of controlling the mind. The mind is restless, unsteady and uncooperative. It is undoubtedly very difficult to curb the restless mind, but it is possible by suitable practice and by detachment. Lord Kṛṣṇa tells Arjuna that by controlling the mind he can attain complete perfection in life. He makes it clear that without mind control, no one can attain peace and bliss in life.

*শ্ৰীমদ্ভগৱদ্গীতা* অথবা চমুকৈ *গীতা* সৰ্বকালৰ সকলো মানুহৰ বাবে এখন অমূল্য গ্ৰন্থ। বিশ্বৰ সাহিত্য ক্ষেত্ৰলৈ ইয়াৰ অৱদান অসীম। বাহ্যিক দৃষ্টিত *গীতা* কেৱল অৰ্জুন আৰু শ্ৰীকৃষ্ণৰ কথোপকথন হ'লেও প্ৰকৃততে এই গ্ৰন্থখন ভাৰতীয় জীৱন দৰ্শনৰ ভেটিস্বৰূপ। সমগ্ৰ জগতৰ বিভিন্ন বিষয়লৈ অৰ্জুনৰ মনত ঘণীভূত হোৱা বিভিন্ন প্ৰশ্নৰ সমাধান দিছে ভগৱান শ্ৰীকৃষ্ণই অৰ্জুনৰ আগত। যদিও গ্ৰন্থখনৰ পটভূমি কুৰুক্ষেত্ৰ যুদ্ধ, তথাপিও গ্ৰন্থখনত মানুহৰ মাজত চলি থকা অন্তৰ্দ্বন্দ্বৰ অৱসান ঘটাই কেনেদৰে মানসিক শান্তি প্ৰতিষ্ঠা কৰিব পাৰি সেয়া

দেখুওৱা হৈছে। কুৰুক্ষেত্ৰ যুদ্ধত চকুৰ সন্মুখত শত্ৰুপক্ষত নিজৰ আত্মীয়-স্বজন, গুৰু তথা পূজনীয় ব্যক্তিসকলক দেখি হতাশাগ্ৰস্ত হৈ যুদ্ধ নকৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা অৰ্জুনক যুদ্ধৰ প্ৰতি অৰ্থাৎ স্বধৰ্মৰ প্ৰতি আকৃষ্ট কৰাটোৱেই হ'ল গীতাৰ মুখ্য উদ্দেশ্য। আন এটা উল্লেখনীয় কথা হ'ল *গীতাক* কোনো বিশেষ ধৰ্মমূলক গ্ৰন্থ হিচাপে আখ্যা দিয়া নহয়। বৰঞ্চ নীতিশাস্ত্ৰ, অধিবিদ্যা, ব্ৰহ্মবিদ্যা আদি বিষয়ৰ গ্ৰন্থ বুলিহে কোৱা হয়। বিভিন্ন শাস্ত্ৰত বৰ্ণিত বিভিন্ন বিষয়ৰ সাৰভাগ *গীতাত* সুগঠিত ৰূপত প্ৰতিফলিত হৈছে।

*গীতা* বহুলভাৱে প্ৰকাশিত আৰু পঠিত বিশ্ববিখ্যাত গ্ৰন্থ যদিও, এই গ্ৰন্থখন সংস্কৃত মহাকাব্য মহাভাৰতৰ অংশবিশেষ বুলি কোৱা হয়। মহাভাৰতৰ ভীষ্ম পৰ্বৰ ওঠৰটা পৰিচ্ছেদেই (২৩-৪০) আচলতে *গীতাৰ* ওঠৰটা অধ্যায়। সেয়েহে মহাভাৰতৰ ৰচক কৃষ্ণদ্বৈপায়ন বেদব্যাসক *গীতা* গ্ৰন্থৰো ৰচক হিচাবে মান্যতা দি অহা হৈছে। গীতাত সৰ্বমুঠ ৭০০টা শ্লোক আছে। ওঠৰটা অধ্যায়ৰ প্ৰথম ছয়টা অধ্যায়ত জীৱাত্মাৰ বিষয়ে আৰু জীৱই পৰমেশ্বৰক কেনেদৰে জানিব পাৰে তাৰ বৰ্ণনা কৰা হৈছে। মাজৰ ছয়টা অধ্যায়ত পৰমপুৰুষ পৰমেশ্বৰ আৰু জীৱাত্মা আৰু পৰমাত্মাৰ মাজৰ সম্বন্ধৰ বৰ্ণনা দিয়া হৈছে। শেষৰ ছয়টা অধ্যায়ত জীৱ কেনেদৰে জড় প্ৰকৃতিৰ সংস্পৰ্শলৈ আহে আৰু কেনেদৰে কৰ্ম, জ্ঞানৰ অনুশীলন আৰু ভক্তিযোগৰ আচৰণ আদি বিভিন্ন পথেৰে ভগৱানৰ কৃপাত জীৱই উদ্ধাৰ পাব পাৰে, সেই কথাও ব্যাখ্যা কৰা হৈছে। এই সমগ্ৰ বিষয়বস্তু শ্ৰীকৃষ্ণ আৰু অৰ্জুনৰ কথোপকথনৰ মাধ্যমেৰে গ্ৰন্থখনত উপস্থাপন কৰা হৈছে। কুৰুক্ষেত্ৰ যুদ্ধত শত্ৰুপক্ষত আত্মীয় স্বজনক দেখি যুদ্ধ কৰিবলৈ অনিচ্ছা প্ৰকাশ কৰা বিভ্ৰান্ত, বিমূঢ় অৰ্জুনক যুদ্ধৰ বাবে উদ্বুদ্ধ কৰি তুলিবলৈ ভগৱান শ্ৰীকৃষ্ণই যিবোৰ উপদেশ-পৰামৰ্শ আদি প্ৰদান কৰিছে, সেইবোৰ সৰ্বকালৰ, সৰ্বস্তৰৰ মানুহৰ বাবে আদৰণীয়। এই উপদেশ-পৰামৰ্শসমূহৰ মাজতে বহুতো সমস্যাৰ সমাধান সূত্ৰও নিহিত হৈ আছে। মানুহৰ মনৰ পৰাই আৰম্ভ হয় বিভিন্ন পৰিঘটনা। নিতৌ ন ন সমস্যাৰে ভাৰাক্ৰান্ত হৈ পৰে মানুহৰ মন, বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান। ইয়াক সুচাৰুৰূপে নিয়ন্ত্ৰণ বা পৰিচালিত কৰিব নোৱাৰিলে জীৱনত আগবাঢ়ি যোৱাটো সম্ভৱপৰ নহয়। *গীতাত* বিভিন্ন বিষয়ৰ আলোচনাৰ লগতে মনঃসংযম কেনেদৰে হয়, ইন্দ্ৰিয়সমূহ কেনেদৰে নিয়ন্ত্ৰণ কৰিব পাৰি পৰ্যায়ক্ৰমে বৰ্ণনা কৰা হৈছে। এই লেখনিত গীতাত মনঃসংযমৰ ধাৰণা কেনেদৰে প্ৰতিফলিত হৈছে তাৰ আলোচনা কৰিবলৈ প্ৰয়াস কৰা হৈছে।

*গীতাৰ* সপ্তম অধ্যায়ত উল্লেখ কৰা আছে যে মন প্ৰকৃতিৰ এক অংশ। প্ৰকৃতিৰ তিনিটা গুণ - সত্ত্ব, ৰজ, আৰু তম।[১] সত্ত্ব গুণ পবিত্ৰ, নিৰ্মল, আৰু প্ৰকাশক। ৰজোগুণ ৰাগাত্মক; ই তৃষ্ণা আৰু আসক্তিৰ উৎসস্বৰূপ। তমোগুণ উৎপন্ন হয় অজ্ঞানৰ পৰা আৰু ই জ্ঞানক আবৃত কৰি ৰাখে। এই তিনিওটা গুণে জীৱক বিভিন্নধৰণে সাংসাৰিক বান্ধোনত আবদ্ধ কৰি ৰাখে। এই তিনিওটা গুণৰ ভিতৰত কেতিয়াবা এটা গুণে আন দুটা গুণক তলপেলাই নিজে প্ৰবল হৈ উঠে। সত্ত্বগুণ নিৰ্মল, পবিত্ৰ, আৰু প্ৰকাশক যদিও সত্ত্বগুণসম্পন্ন ব্যক্তিও কৰ্মবন্ধনত সোমাই পৰে।[২] এনে বক্তিসকলৰ ভিতৰত যিবিলাক ব্যক্তি কৰ্মফলৰ প্ৰতি আসক্ত, তেওঁলোকে সত্ত্বগুণৰ অনুৰূপ কৰ্ম কৰি যাবৰ বাবে আসক্ত হৈ পৰে আৰু এনেদৰেই কৰ্মবান্ধোনত সোমাই পৰে। ব্যক্তিৰ দেহত ৰজোগুণ বেছি পালে লোভ-লালসা, কামনা-বাসনা আদিয়ে মূৰ দাঙি উঠে। দৰাচলতে ৰজোগুণী ব্যক্তিয়ে জীৱনত যিখিনি লাভ কৰে, সেইখিনি লৈ কেতিয়াও সন্তুষ্ট নহয়। অত্যাধিক ইন্দ্ৰিয় সুখৰ বাবে তেওঁৰ মনত প্ৰবল বাসনা যাগি উঠে। ইন্দ্ৰিয় পৰিতৃপ্তিৰ বাবে তেনে ব্যক্তিয়ে অনবৰতে চেষ্টা কৰি থকাৰ ফলত তেওঁ

কৰ্মবন্ধনত সোমাই পৰে আৰু তেওঁৰ মুক্তিৰ সম্ভাৱনা নাইকীয়া হয়। তমোগুণৰ আধিক্যৰ ফলত নিষ্ক্ৰিয়তা, উন্মত্ততা, ভ্ৰম, অজ্ঞানতা আদি জাগি উঠে। তমোগুণে জীৱদেহত প্ৰমাদ, এলাহ, টোপনি আদিৰ উৎপত্তি কৰি জীৱক বন্ধনত ৰাখে। তমোগুণী ব্যক্তি কোনো এটা কাম কৰিবৰ বাবে উদ্যমী নহয়।

যেতিয়া জীৱদেহত দুৱাৰসমূহ জ্ঞানৰ আলোকেৰে উদ্ভাসিত হৈ উঠে, তেতিয়াই বুজিব লাগিব যে সত্বগুণৰ বৃদ্ধি ঘটিছে। কিন্তু সত্বগুণৰ বৃদ্ধি হ'লেই যে জীৱই সংসাৰৰ যন্ত্ৰণাৰ পৰা মুক্তি লাভ কৰিব তেনেকুৱা নহয়। প্ৰকৃতিৰ সত্বাদি প্ৰভৃতি তিনিটা গুণ অতিক্ৰম (ত্ৰিগুণাতীত) কৰিব পাৰিলে জন্ম, মৃত্যু, জৰা-ব্যাধিৰ পৰা মুক্ত হৈ জীৱই মোক্ষ লাভ কৰিব পাৰে।

জীৱ পৰমাত্মাৰ এটা অংশ আৰু ই তেনেদৰেই সংসাৰত বৰ্তি থাকে।[৩] পৰমাত্মাৰ পৰা বিচ্ছিন্ন হৈ অহা জীৱবোৰৰ নিজৰ নিজৰ স্বতন্ত্ৰ পৰিচয় আছে অৰ্থাৎ জীৱৰ সামান্য পৰিমাণৰ হ'লেও স্বতন্ত্ৰতা আছে। এই স্বতন্ত্ৰতাৰ অপব্যৱহাৰেই হৈ পৰে জীৱৰ বদ্ধ অৱস্থা আৰু সদ্ব্যৱহাৰ কৰিলেই হৈ পৰে মুক্ত অৱস্থা। জড় জগতত তিষ্ঠি থাকিবৰ বাবে বদ্ধ জীৱই যথেষ্ট পৰিমাণে কঠোৰ শ্ৰম কৰিবলগীয়া হয়। বদ্ধ অৱস্থাত জীৱ প্ৰকৃতিৰ তিনিটা গুণৰ অধীনত থাকে, সেয়েহে আধ্যাত্মিক চিন্তা-চৰ্চাৰ কথা পাহৰি যায়। ৰজোগুণৰ প্ৰভাৱত বদ্ধ জীৱ নানা ধৰণৰ কামনা-বাসনাৰে আচ্ছাদিত হৈ থাকে। এই কামনা-বাসনাই আনকি জ্ঞানী লোকৰ শুদ্ধ চেতনাকো আচ্ছন্ন কৰি ৰাখে।[৪] মানুহৰ ইন্দ্ৰিয়বোৰ, মন, আৰু বুদ্ধিয়েই হ'ল এই কামনা-বাসনাৰ বাসস্থান; এইবোৰৰ মাধ্যমেৰে কামনা-বাসনাবোৰে দেহধাৰী জীৱক অৰ্থাৎ মনুষ্যকুলক বিভ্ৰান্ত কৰি তোলে।[৫] গতিকে প্ৰথমেই ইন্দ্ৰিয়সমূহক সংযত কৰি জ্ঞান আৰু আত্মজ্ঞান বিনাশক কামনা-বাসনাসমূহক বিনষ্ট কৰিব লাগে। অৱশ্যে এই ইন্দ্ৰিয়, মন, আৰু বুদ্ধিৰ ওপৰত হ'ল আত্মা।[৬] গতিকে আত্মাৰ প্ৰকৃত স্বৰূপ উপলব্ধি কৰি মনটোক আধ্যাত্মিক চিন্তাত জড়িত কৰি ৰাখিলে, লগতে বুদ্ধিৰ প্ৰয়োগ কৰিলে মন সবল হয়। ইন্দ্ৰিয় নিয়ন্ত্ৰণৰ বাবে কৃত্ৰিম প্ৰচেষ্টাতকৈ আধ্যাত্মিক চিন্তাধাৰা বেছি ফলপ্ৰসু বুলি গীতাৰ তৃতীয় অধ্যায়ত বৰ্ণনা কৰা হৈছে।

মানুহৰ মনটো বৰ চঞ্চল, অস্থিৰ, আৰু বৰ শক্তিশালী, গতিকে মনক নিয়ন্ত্ৰণ কৰাটো বৰ কঠিন।[৭] বায়ুক বশ কৰাটো যেনেদৰে অত্যন্ত দুষ্কৰ, তেনেদৰে মনক নিয়ন্ত্ৰণ কৰাটোও দুঃসাধ্য। যাৰ মন সংযত নহয়, তেওঁৰ আত্মোপলব্ধি হোৱাটো কঠিন। আত্মোপলব্ধি নোহোৱা ব্যক্তিয়ে শৃংখলিত জীৱন যাপন কৰিবলৈ অসমৰ্থ হয়, যাৰ ফলত তেওঁ জীৱনত কৃতকাৰ্য্যতা লাভ কৰিব নোৱাৰে।

সংসাৰত আবদ্ধ ব্যক্তিয়ে বিষয়-বাসনাৰ ওপৰত অত্যধিক গুৰুত্ব দিয়াৰ ফলত লাহে লাহে বুদ্ধিভ্ৰষ্ট হৈ পৰে আৰু তেওঁ এটা সময়ত মানসিক দ্বন্দ্বৰ সন্মুখীন হয়। সাধাৰণ মানুহৰ কথাটো বাদেই, আনকি কৰ্ম আৰু অকৰ্মৰ মাজত কোনটো সঠিক তাক নিৰ্ণয় কৰাৰ ক্ষেত্ৰত জ্ঞানী পুৰুষো বিভ্ৰান্ত হৈ পৰে। কুৰুক্ষেত্ৰ যুদ্ধৰ আৰম্ভণিতে মহাৰাজ ধৃতৰাষ্ট্ৰ আৰু তৃতীয় পাণ্ডৱ অৰ্জুনৰ মনতো মানসিক দ্বন্দ্বৰ সৃষ্টি হৈছিল। কুৰুক্ষেত্ৰ যুদ্ধত ভগৱান শ্ৰীকৃষ্ণ অৰ্জুনৰ ৰথৰ সাৰথি হৈছিল। সেয়েহে ধৃতৰাষ্ট্ৰ নিজৰ পুত্ৰসকলক বিজয়ী হোৱাৰ কাৰ্যত যথেষ্ট সন্দিহান হৈ পৰিছিল। একেসময়তে হয়তো তেওঁৰ মনটোৱে কৌৰৱ আৰু পাণ্ডৱৰ মাজত বুজাপৰা হোৱাটোও নিবিচাৰিছিল আৰু লগতে যুদ্ধক্ষেত্ৰত তেওঁৰ পুত্ৰসকলৰ কি গতি হ'ব সেই কথা জানিবলৈ উদগ্ৰীৱ হৈ আছিল। মানসিক দ্বন্দ্বৰ মাজেৰেই তেওঁ সঞ্জয়ৰ পৰা যুদ্ধৰ বতৰা শুনিবলৈ বিচাৰিছিল।[৮] যুদ্ধক্ষেত্ৰত মহাধনুৰ্ধৰ অৰ্জুনো বিমূঢ় হৈ পৰিছিল। যুদ্ধত কোনটো পক্ষ জয়ী হ'লে ভাল হ'ব, সেই কথা অৰ্জুনে হৃদয়ংগম

কৰিব পৰা নাছিল। অৰ্জুনে নিজেও বুজি পাইছিল যে আত্মোপলব্ধি নথকাৰ বাবেই তেওঁৰ আজি এই অৱস্থা হৈছে। এনেধৰণৰ মানসিক দ্বন্দ্ব তথা মানসিক বিভ্ৰান্তিৰ অন্তৰালত যে বহুতো কাৰণ আছে সেই কথা *শ্ৰীমদ্‌ভগৱদ্‌গীতাত* বৰ্ণনা কৰা আছে। সেইবোৰৰ ভিতৰত অজ্ঞানতা বা অবিদ্যা, ইন্দ্ৰিয়, মন, ৰজোগুণ, মানসিক দুৰ্বলতা আদিয়েই প্ৰধান।

বিষয়ৰ লগত ইন্দ্ৰিয়ৰ সংযোগৰ ফলত মনত নানা ধৰণৰ জ্ঞান বা সংস্কাৰৰ জন্ম হয়। এইবোৰৰ ভিতৰত কোনটো ভাল, কোনটো বেয়া, কোনটো গ্ৰহণীয়, কোনটো ত্যাগ কৰিব লাগে এই বিষয়ত নানা ধৰণৰ সংকল্প বা বিকল্প মনলৈ আহে। তেতিয়া জ্ঞান বা বুদ্ধিয়ে কোনটো গ্ৰহণীয়, কোনটো গ্ৰহণীয় নহয়, সেয়া নিৰ্ণয় কৰে। এয়াই হ'ল গীতাত উল্লিখিত ব্যৱসায় বুদ্ধি। কিন্তু জ্ঞান বা বুদ্ধিৰ অভাৱত কৰ্মযোগীসকলৰ অভিপ্ৰায় বহু শাখাত বিভক্ত হয়। কৰণীয় কোনটো বা নকৰিবলগীয়া কোনটো সিদ্ধান্ত ল'ব নোৱাৰা হয় আৰু মানসিক দ্বন্দ্বৰ সৃষ্টি হয়।

মানুহৰ ইন্দ্ৰিয়বিলাক অতি শক্তিশালী। বিবেকসম্পন্ন ব্যক্তি অৰ্থাৎ ঋষি-মুনি, পণ্ডিত, অধ্যাত্মিকতাবাদীসকলে ইন্দ্ৰিয়সমূহ দমন কৰিবলৈ চেষ্টা কৰে, কিন্তু তেওঁলোকো মনৰ চঞ্চলতাৰ ফলত পাৰ্থিৱ ইন্দ্ৰিয় সুখৰ কবলত পৰে আৰু তাৰ পৰা মুক্ত হ'ব নোৱাৰা হয়। গতিকে ইন্দ্ৰিয় সংযম কৰিব নোৱাৰিলেও ব্যক্তি এজন মানসিক দ্বন্দ্বৰ সন্মুখীন হয়।

মন হ'ল মানুহৰ অন্তৰিন্দ্ৰিয়। মন ইন্দ্ৰিয়ৰ অধীন, প্ৰজ্ঞা মনৰ অধীন। পানীত চলি থকা নাঁও এখনক বতাহে জোৰকৈ কোনোবা ফালে উটুৱাই নিয়াৰ দৰে, নানান বিষয়ত বিচৰণ কৰা ইন্দ্ৰিয়বিলাকৰ সৈতে মনে যাক আশ্ৰয় কৰে, সিয়েই মানুহৰ জ্ঞান হৰণ কৰি নিয়ে।[৮] জ্ঞানহীন অৱস্থা বা অজ্ঞানতাই কেনেদৰে মানসিক দ্বন্দ্বৰ সৃষ্টি কৰে সেয়া ইতিমধ্যে আলোচনা কৰা হৈছে।

ৰজোগুণ কি তাৰ বিষয়ে আগতে বৰ্ণনা কৰা হৈছে। এই ৰজোগুণৰ পৰা কামনা-বাসনাৰ উদ্ভৱ হয়। কামেই পাছলৈ ক্ৰোধলৈ ৰূপান্তৰিত হয়। ইয়াৰ দ্বাৰা প্ৰভাৱান্বিত হৈ এজনে ইচ্ছা নকৰা সত্ত্বেও বলপূৰ্বক পাপ কৰ্মত প্ৰবৃত্ত হয়। কোনো কালে সন্তুষ্ট নোহোৱা জুইৰ নিচিনা এই কামৰূপী চিৰকলীয়া শত্ৰুৱে জ্ঞানী জীৱৰ শুদ্ধ চেতনাক আ বৃত্ত কৰি ৰাখে। ইন্দ্ৰিয়বোৰ, মন, আৰু বুদ্ধিয়েই হ'ল কামৰ বাসস্থান। ইয়াৰ মাধ্যমেৰে কামে জীৱৰ শুদ্ধ জ্ঞানক আবৃত্ত কৰি জীৱক বিভ্ৰান্ত কৰি তোলে।

মনৰ দুৰ্বলতা মানুহৰ প্ৰধান শত্ৰু। এই দুৰ্বলতা ত্যাগ কৰিব নোৱাৰাটো কাপুৰুষৰ লক্ষণ। কুৰুক্ষেত্ৰ যুদ্ধৰ আগমুহূৰ্তত অৰ্জুনে শত্ৰুপক্ষত গুৰু-জন, আত্মীয়স্বজনক দেখি অস্ত্ৰ ত্যাগ কৰিছিল। দেখাত অৰ্জুনৰ এই মনোভাৱ আত্মীয়সকলৰ প্ৰতি উদাৰভাৱাপন্ন হোৱা যেন লাগিলেও এয়া আচলতে অৰ্জুনৰ মনৰ দুৰ্বলতাহে। এনেধৰণৰ উদাৰতাক শাস্ত্ৰই সমৰ্থন নকৰে। দুৰ্বলতাই মানসিক দ্বন্দ্বৰহে সৃষ্টি কৰে। কৰ্তব্য অকৰ্তব্য একোকে ঠিৰাং কৰিব নোৱাৰা হয়।

*শ্ৰীমদ্ভগৱদ্‌গীতাত* মনক নিয়ন্ত্ৰণ কৰাৰ বাবে বিভিন্ন উপদেশ শ্ৰীকৃষ্ণই অৰ্জুনৰ আগত বৰ্ণনা কৰিছে। কুৰুক্ষেত্ৰ মহাসমৰ জয়লাভ কৰিবলৈ হ'লে অৰ্জুনে হৃদয়ৰ ক্ষুদ্ৰ দুৰ্বলতা আঁতৰ কৰিব পাৰিবই লাগিব। মনক সংযত কৰিবৰ বাবে ষষ্ঠ অধ্যায়ত 'ধ্যান-যোগ' বৰ্ণনা কৰা হৈছে। মন নিয়ন্ত্ৰণ কৰিবলৈ কঠিন যদিও অভ্যাস আৰু বৈৰাগ্যৰ দ্বাৰা মনক বশীভূত কৰিব পাৰি। বৰ্তমান সময়ত শাস্ত্ৰত বৰ্ণিত নীতি-নিয়ম মানি অৰ্থাৎ পবিত্ৰ

ঠাইত বহি, অকলশৰে বহি ব্ৰহ্মচৰ্য্য ব্ৰত পালন কৰি অভ্যাসযোগ কৰাটো সকলোৰে বাবে সম্ভৱ নহয়। কিন্তু যি কৰ্ম কৰা হয় সেই সকলোবোৰ কৰ্ম নিজৰ গুৰু বা ভগৱানৰ উদ্দেশ্যে সমৰ্পণ কৰি অবিচলিত চিত্তেৰে সমাপন কৰিলে হ'বই। কাৰণ আত্মসংযম নহ'লে ধ্যান কৰিব নোৱাৰে। *গীতাত* ধ্যান কৰাৰ পদ্ধতিও বৰ্ণনা কৰা হৈছে। পৱিত্ৰ স্থানত, সুবিধাজনকভাৱে আসন স্থাপন কৰি, আসনত বহি চিত্ত আৰু ইন্দ্ৰিয়সমূহৰ ক্ৰিয়া সংযম কৰি, মনক একাগ্ৰ কৰি আত্মশুদ্ধিৰ বাবে যোগ অভ্যাস কৰিব লাগে। প্ৰশান্ত চিত্ত, ভয়বৰ্জিত তথা ভগৱানক চিত্ত সমৰ্পণ কৰাটোও যোগ অভ্যাসৰ বাবে দৰকাৰী। এনেদৰে সদায় যোগ অভ্যাস কৰিলে মন বশীভূত হ'বই। 'বৈৰাগ্য' মানে হ'ল বিষয়ৰ প্ৰতি অনাসক্তি আৰু আধ্যাত্মচিন্তাৰ প্ৰতি আসক্তি।

মনক নিয়ন্ত্ৰিত কৰাৰ ক্ষেত্ৰত 'সন্তুলিত জীৱন প্ৰণালী'ৰ ভূমিকা উল্লেখনীয়। জীৱনত কোনো কামেই অতি বেছি বা অতি কম কৰাটো হানিকাৰক। আনহাতে জড় প্ৰকৃতিৰপৰা উৎপন্ন হোৱা নিজ নিজ গুণৰ প্ৰভাৱত মানুহে কৰ্ম নকৰাকৈ থাকিব নোৱাৰে। সেয়েহে গীতাত কৈছে - "এজন ব্যক্তিৰ কৰ্তব্যৰূপে যি কাম নিৰ্ধাৰিত কৰি দিয়া আছে তাকে কৰি যাব লাগে। কাম নকৰাতকৈ কাম কৰা বেছি ভাল আৰু কাম নকৰাকৈ থাকিলে শৰীৰ ধাৰণ কৰাটো সম্ভৱ নহয়।" লগতে কৈছে, "অত্যাধিক ভোজনকাৰী বা নিতান্ত অনাহাৰী, অধিক নিদ্ৰাপৰায়ণ অথবা উজাগৰে থকা মানুহ যোগী হোৱাৰ সম্ভাৱনা নাই।"[১০] দৰাচলতে আহাৰ-বিহাৰৰ ক্ষেত্ৰত যাৰ নিয়ন্ত্ৰণ আছে, যিবিলাকে নিয়মীয়া পৰিশ্ৰমে কৰে, নিয়মিত পৰিমাণে শোৱে বা জাগি থাকে, তেওঁ যি যোগৰ অভ্যাস কৰে সি জাগতিক কষ্ট দূৰ কৰিব পাৰে। এনে অভ্যাসৰ ফলত তেওঁৰ কামবিলাক স্বভাৱতে সংযত হৈ পৰে আৰু ইন্দ্ৰিয়তৃপ্তিৰ কলুষতাৰ পৰা মুক্ত হৈ পৰে। এইখিনিতে উল্লেখ কৰিব পাৰি যে মানুহৰ শৰীৰত থকা বায়ু, পিত্ত, কফ সন্তুলিত অৱস্থাত থাকিলে শৰীৰ সুস্থ হৈ থাকে। ইয়াৰ ভিতৰৰে কোনোবা এটা যদি কম-বেছি হয়, তেতিয়া শৰীৰ অসুস্থ হৈ পৰে। গতিকে সন্তুলিত জীৱন-প্ৰণালী মনক নিয়ন্ত্ৰণ কৰাৰ ক্ষেত্ৰত অপৰিহাৰ্য্য।

মনক নিয়ন্ত্ৰণ কৰাৰ ক্ষেত্ৰত সুষম আহাৰৰো প্ৰভাৱ আছে। পুষ্টিকৰ, ৰসাল, তৃপ্তিদায়ক, বীজাণুমুক্ত আহাৰ গ্ৰহণ কৰিলে শৰীৰ নিৰোগী হৈ থাকে। নিৰোগী শৰীৰ থাকিলেহে মানুহে যোগ কৰিব পাৰে, যাৰ ফলত ইন্দ্ৰিয়সমূহ কলুষতাৰ মুক্ত হয়। যিবিলাক আহাৰে আয়ুস, স্থায়িত্ব, বল, স্বাস্থ্য, সুখ, আৰু প্ৰীতি বঢ়াই তোলে তেনে আহাৰক সাত্ত্বিক আহাৰ বুলি *গীতাত* উল্লেখ কৰা আছে।[১১] অত্যাধিক তিতা, টেঙা, গৰম, শুকান আহাৰ গ্ৰহণ কৰিলে দুখ-শোক, বেমাৰ হয়। আহাৰ সুষম হ'লে ইন্দ্ৰিয়ৰ কলুষতা আঁতৰ হোৱাৰ ক্ষেত্ৰত সহায়ক হয়।

মানসিক দ্বন্দ্ব সম্পূৰ্ণৰূপে আঁতৰি গ'লে এগৰাকী ব্যক্তিয়ে নিজৰ জীৱন-প্ৰণালী সুচাৰুৰূপে পৰিচালিত কৰিব পাৰিব, ইয়াত কোনো সন্দেহ নাই।

জ্ঞান বা বুদ্ধি মানসিক দ্বন্দ্ব আঁতৰ কৰাত অন্যতম সহায়ক বুলি *গীতাত* কোৱা হৈছে। এগৰাকী আধ্যাত্মিক গুৰুৰ ওচৰত তত্ত্বজ্ঞান লাভ কৰিলে মোহগ্ৰস্ত হোৱা নাযায়। লগতে এগৰাকী ব্যক্তিয়ে বুজি পায় যে তেওঁ পৰমেশ্বৰৰে অংশ। এবাৰ জ্ঞানৰূপী নৌকাত অধিষ্ঠিত হোৱাৰ পিছতে সিয়েই দুখৰ সমুদ্ৰ পাৰ কৰি লৈ যায়। ভালদৰে জ্বলা জুইয়ে যিদৰে খৰি পুৰি ছাই কৰি দিয়ে তেনেদৰে জ্ঞানৰ জুইয়ে, জ্ঞানৰূপী অগ্নিয়ে সকলো পাৰ্থিৱ কৰ্মৰ ফল পুৰি ছাই কৰি দিয়ে।[১২] অজ্ঞানতাৰ ফলত মানুহৰ হৃদয়ত যি সংশয় বা দ্বন্দ্বৰ উদ্ভৱ হয়, জ্ঞানৰূপী তৰোৱালে সকলো ছিন্ন-ভিন্ন কৰি দিয়ে।[১৩] 'বুদ্ধি'ৰ স্বচ্ছতাইয়ো সকলো সংশয় দূৰ কৰিব

পাৰে। শাস্ত্ৰৰ বিধান অনুসৰি কাম কৰা বা উচিত কাম কৰিবলৈ লোৱাকে প্ৰবৃত্তি বোলা হয়। শাস্ত্ৰত বিহিত নোহোৱা কৰ্ম কৰিব নালাগে। তেনে কৰ্মই কৰ্মৰ বন্ধনত বান্ধি পেলায়। বুদ্ধিৰে তেনে কথা বিলাক বিবেচনা কৰি চালে ভুল পথে পৰিচালিত হোৱাৰ ভয় নাথাকে। কোনো এটা কাম বিবেচনাপূৰ্ণভাৱে কৰিলে কৰ্মফলবন্ধনত সোমাই পৰাৰ আশংকা নাথাকে।

মনক নিয়ন্ত্ৰণ কৰাৰ ক্ষেত্ৰত শাৰীৰিক আৰু মানসিক তপস্যাৰো যথেষ্ট অৱদান আছে। দেৱতা, ব্ৰাহ্মণ, গুৰু, মাতা, পিতা, আচাৰ্য আৰু জ্ঞানীসকলৰ পূজা, আভ্যন্তৰীণ আৰু বাহ্যিক শুচিতা, সৰলতা, ব্ৰহ্মচৰ্য্য আৰু অহিংসা- এইবোৰকে শাৰীৰিক তপস্যা বোলে।[১৪] মনৰ প্ৰসন্নতা, শান্ত-স্বভাৱ, বাক্-সংযম, আত্মসংযম আৰু আনৰ লগত অকপট আচৰণ আদিক মানসিক তপস্যা বোলে। শাৰীৰিক তপস্যা একপ্ৰকাৰ ব্ৰহ্মচৰ্য ব্ৰতৰ দৰে। শাৰীৰিক তপস্যাই শৰীৰটোক ইন্দ্ৰিয় সুখৰ পৰা আতৰাই ৰাখে আৰু মানসিক তপস্যাই মনটোক ইন্দ্ৰিয় সুখৰ পৰা আতৰত ৰাখে। এনেদৰে ধীৰে ধীৰে এগৰাকী ব্যক্তিয়ে ইন্দ্ৰিয় সংযত কৰিবলৈ সক্ষম হয়।

*গীতাত* বৰ্ণনা কৰা হৈছে যে এজন ব্যক্তি যদি কোনো কাৰণত সঠিক সিদ্ধান্ত ল'ব নোৱাৰা হয়, কোনটো শুদ্ধ, কোনটো অশুদ্ধ নিৰ্ণয় কৰিব নোৱাৰা হয়, তেন্তে তেওঁ তেওঁৰ গুৰুৰ উপদেশ গ্ৰহণ কৰিব লাগে। কাৰণ গুৰুৱেহে সঠিক পথ নিৰ্দেশনা দিব পাৰে। অৰ্জুনৰ গুৰু হ'ল শ্ৰীকৃষ্ণ। অৰ্জুনে নিজৰ দুৰ্বল স্বভাৱৰ বাবে ভুল-শুদ্ধ নিৰ্ণয় কৰিব নোৱাৰি গুৰুৰ ওচৰত আশ্ৰয় লৈছে।[১৫] গুৰুৱে শুদ্ধ পথ দেখুৱাই অৰ্জুনক কুৰুক্ষেত্ৰ যুদ্ধত জয় লাভ কৰিবলৈ সুযোগ দিছে। মানসিক অন্তৰ্দ্বন্দ্ব দূৰ কৰাৰ ক্ষেত্ৰত গুৰুৰ অৰিহণা উল্লেখনীয়। কিন্তু নিজৰ আত্মগৌৰৱ, অহংকাৰ সম্পূৰ্ণৰূপে ত্যাগ কৰিহে গুৰুৰ ওচৰত শৰণ লব লাগে বুলি গীতাত উল্লেখ আছে।[১৬] *মুণ্ডক উপনিষদত* বৰ্ণনা কৰা আছে - প্ৰকৃত তত্ত্বজিজ্ঞাসু শিক্ষাৰ্থীসকলে ব্ৰহ্মবিদ্যা শিকিবৰ বাবে ব্ৰহ্মজ্ঞানী গুৰুৰ ওচৰলৈ যাওঁতে যজ্ঞৰ সমিধ হাতত লৈ গৈছিল।[১৭] যজ্ঞৰ সমিধ হাতত লৈ যোৱাৰ অৰ্থ হ'ল তেওঁ সংযতেন্দ্ৰিয় হৈহে গুৰুৰ ওচৰলৈ বিদ্যা লাভৰ বাবে ওচৰ চাপিছে। গুৰুৱেও শিক্ষাৰ্থীৰ ইন্দ্ৰিয় সংযম, অধ্যৱসায়, ত্যাগ বা বৈৰাগ্য, বিশ্বাস আৰু একাগ্ৰতা আদি গুণবোৰ আছে নে নাই পৰীক্ষা কৰি চাইছিল। কাৰণ সংযম বা প্ৰস্তুতি নাথাকিলে ব্ৰহ্মবিদ্যাৰ বিষয়ে শিক্ষাদান কৰাটো সম্ভৱ নহয়। দৰাচলতে সকলো ধৰণৰ শিক্ষাৰ্থীৰ ক্ষেত্ৰতেই এয়া প্ৰযোজ্য। উপযুক্ত শিষ্য পালে গুৰুৰ মন প্ৰসন্ন হয়। অৰ্জুন শ্ৰীকৃষ্ণৰ প্ৰিয় শিষ্য। প্ৰিয় শিষ্য অৰ্জুনৰ উচিত-অনুচিত, কৰ্তব্য-অকৰ্তব্য জ্ঞান লোপ পোৱা দেখি ভগৱান শ্ৰীকৃষ্ণই অৰ্জুনৰ মনত প্ৰকৃত সত্যৰ উদ্ৰেক ঘটাবলৈ যত্নপৰ হৈছে। বিভিন্ন তত্ত্বৰ সহজ-সৰল ব্যাখ্যাৰ জৰিয়তে অৰ্জুনৰ মানসিক দ্বন্দ্ব, মানসিক বিভ্ৰান্তি আতৰাই কৰ্মত প্ৰবৃত্ত কৰাবলৈ সক্ষম হৈছে। অষ্টাদশ অধ্যায়ত অৰ্জুনে তেওঁৰ গুৰু ভগৱান শ্ৰীকৃষ্ণৰ ওচৰত কৈছে যে শ্ৰীকৃষ্ণৰ অনুগ্ৰহত তেওঁৰ সমস্ত মায়া-মোহ দূৰ হৈছে, কৰ্তব্যাকৰ্তব্য জ্ঞান লাভ হৈছে, সকলো সংশয় দূৰ হৈছে আৰু স্থিৰ হ'ব পাৰিছে আৰু গুৰুৰ উপদেশ পালন কৰি স্বধৰ্ম পালন কৰিবলৈ সন্মত হৈছে।[১৮]

*গীতাৰ* দ্বিতীয় অধ্যায়ত অৰ্জুনে 'মই যুদ্ধ নকৰোঁ' বুলি মনতে যি সঙ্কল্প লৈছিল, ভগৱান শ্ৰীকৃষ্ণই সেই সঙ্কল্প অৰ্জুনে অহংকাৰৰশতঃ লোৱা বুলি অৰ্জুনক বুজাইছে। অহংকাৰৰশতঃ লোৱা সঙ্কল্প মিছা হয়। কাৰণ ক্ষত্ৰিয় স্বভাৱে অৰ্জুনক যুদ্ধত প্ৰবৃত্ত কৰাবই।[১৯] নিজ নিজ প্ৰকৃতি অনুযায়ী জীৱই কৰ্ম কৰিবলৈ বাধ্য। অহংকাৰী তথা অজ্ঞানীসকলেহে 'ময়েই কৰ্তা' বুলি ধাৰণা কৰে। দৰাচলতে ভগৱানে হৃদয়ত থাকি সকলো কাম মানুহৰ দ্বাৰা কৰোৱায়। সামৰণিত ক'ব পাৰি যে মনঃসংযম বা মনক নিয়ন্ত্ৰণ কৰাৰ ক্ষেত্ৰত গীতাত বৰ্ণিত 'সন্তুলিত জীৱন প্ৰণালীৰ উল্লেখযোগ্য ভূমিকা আছে। অজ্ঞানতা, ইন্দ্ৰিয় সংযমহীনতা, জীৱদেহত ৰজোগুণৰ প্ৰভাৱ,

মানসিক দুৰ্বলতা আদিয়ে মানুহক মানসিক বিভ্ৰান্তিত পতিত কৰে। দৰাচলতে আত্মজ্ঞানৰ অভাৱেই এই সকলোবোৰৰ মূল। 'সন্তুলিত জীৱন প্ৰণালী' অনুসৰণ কৰি এগৰাকী ব্যক্তিয়ে মনক নিয়ন্ত্ৰণ কৰিব পাৰে আৰু এনেদৰে আত্মোপলব্ধি হয়। আত্মোপলব্ধি হ'লে মানসিক দ্বন্দ্ব, মানসিক বিভ্ৰান্তি আদি আঁতৰ হয় আৰু সকলো কাম বিবেচনাপূৰ্ণ ভাৱে কৰিবলৈ সক্ষম হয়। এনেদৰে মনঃসংযম ধাৰণা কৰি স্বধৰ্ম সুকলমে পালন কৰিব পাৰিব তাত কোনো সন্দেহ নাই।

**প্ৰসঙ্গ সূচী**


১। সত্ত্বং ৰজস্তম ইতি গুণাঃ প্ৰকৃতিসম্ভৱাঃ।
নিৱধ্নন্তি মহাবাহো দেহে দেহিনমব্যয়ম্।। গীতা, ১৪.৫

২। তদেব, ১৪.৬

৩। তদেব, ১৫.৭

৪। তদেব, ৩.৩৯

৫। তদেব, ৩.৪০

৬। ইন্দ্ৰিয়াণি পৰাণ্যাহুৰিন্দ্ৰিয়েভ্যঃ পৰং মনঃ।
মনসস্তু পৰা বুদ্ধিৰ্য়ো বুদ্ধেঃ পৰতস্তু সং।। তদেব, ৩.৪২

৭। তদেব, ২.৬০

৮। তদেব, ১.১

৯। ইন্দ্ৰিয়ানাং হি চৰতাং যন্মনোন্তৰিধীমতে।
তদস্য হৰতি প্ৰজ্ঞাং ৱায়ুৰ্মাৰমিৱাম্ভসি।। তদেব, ২.৬৭

১০। তদেব, ৬.১৬

১১। তদেব, ১৭.৮

১২। তদেব, ৪.৩৭

১৩। তদেব, ৪.৪২

১৪। দেৱদ্বিজগুৰুপ্ৰাজ্ঞপূজনং শৌচমাৰ্জৱম্।
ব্ৰহ্মচৰ্যমহিংসা চ শাৰীৰং তপ উচ্যতে।। ১৭.১৪

১৫। তদেব, ২.৭

১৬। মৎকৰ্মকৃন্মৎপৰমো সদ্ ভক্তঃ সংগৱৰ্জিতঃ।
নিৰ্বৈৰঃ সৰ্বভূতেষু যঃ স মামেতি পাণ্ডৱঃ।। ১১.৫৫

১৭। পৰীক্ষ্য লোকান্ কৰ্মচিতান্ ব্ৰাহ্মণো
নিৰ্বেদমায়ান্নাস্ত্যকৃতঃ কৃতেন।
তদ্বিজ্ঞানাৰ্থং স গুৰুমেবাভিগচ্ছেৎ
সমিৎপাণিঃ শ্ৰোত্ৰিয়ং ব্ৰহ্মনিষ্ঠম্।। ১/২/১২

১৮। গীতা, ১৮.৭৩

১৯। যদহংকাৰমাশ্ৰিত্য ন য়োৎস্য ইতি মন্যসে।
মিথ্যৈষ ব্যৱসায়স্তে প্ৰকৃতিস্ত্বাং নিয়োক্ষ্যতি।। তদেৱ, ১৮.৫৯

**সহায়ক গ্ৰন্থপঞ্জী**


১। গোস্বামী, মালিনী, *শ্ৰীমদ্ভগৱদ্গীতা*, চন্দ্ৰপ্ৰকাশ, গুৱাহাটী, ২০০৯

২। শৰ্মা, থানেশ্বৰ, *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত*, চন্দ্ৰ প্ৰকাশ, গুৱাহাটী, ২০০৭

৩। লোকেশ্বৰানন্দ, স্বামী, *উপনিষদ*, Anand Publishers Private Limited, Calcutta-700009

৪। প্ৰভুপাদ, স্বামী, *শ্ৰীমদ্ভগৱদ্গীতা যথাযথ*, ভক্তিবেদান্ত বুক ট্ৰাষ্ট, গুৱাহাটী, ২০১৯

# Author Index

1. **Professor Manjula Devi**
Professor
Department of Sanskrit
Gauhati University, Guwahati

2. **Professor Shrutidhara Chakravarty**
Professor
Department of Sanskrit
Gauhati University, Guwahati

3. **Dr. Mausumi Bhattacharjee**
Associate. Prof.& H.O.D. of Sanskrit,
B.N. College, Dhubri, Assam

4. **Dr. Mani Sarmah**
Associate Professor & HOD
Dept. of Sanskrit
Nalbari College, Nalbari, Assam

5. **Dr. Gayatri Sarma**
Associate Professor
Dept. of Sanskrit
Handique Girl's College, Guwahati

6. **Sarmistha Goswami**
Assistant Professor
Dept of History, Kakojan College, Jorhat

7. **Indrani Deka**
Assistant Professor (Sanskrit)
K. K. Handiqui State Open University
Guwahati

8. **Dr. Bornali Borthakur**
Assistant Professor
Department of Sanskrit (Vedic Studies)
Kumar Bhaskar Varma Sanskrit and
Ancient Studies University
Nalbari, Assam, India

9. **Nidarshana Sharma**
Research Scholar
Department of Sanskrit
Gauhati University, Guwahati

10. **Dr. Kalpita Bujarbarua**
Associate Professor & HOD
Department of Sanskrit
B. Borooah College, Guwahati

11. **Dr. Chandan Hazarika**
Assistant Professor
Department of Sanskrit
Nowgong College (Autonomous)

12. **Poli Mahanta**
Research Scholar
Department of Sanskrit
Gauhati University, Guwahati

13. **Dr. Nandita Sarmah**
Assistant Professor
K. K. H. Govt. Sanskrit College
Guwahati, Assam

14. **Dr. Mandakini Mahanta**
Sixmail, Guwahati

15. **Dr. Mausumi Bhagawati**
Associate Professor
Department of Assamese
Sonapur College, Sonapur

16. **Dr. Bharati Goswami**
Associate Professor
Department of Sanskrit
B. Borooah College
Guwahati

# Guidelines for Contributors

1. The Sṛijan is a multi lingual (Sanskrit, Assamese, English) Peer-Reviewed Biennial Research Journal of the Department of Sanskrit will accommodate original research papers having research values related to Sanskrit studies.

2. Separate sheets of A-4 size are to be used in preparation of the manuscript.

3. English text much be in Times New Roman (12 pt.) font. .

4. Sanskrit and Assamese text in must be in Ramdhenu font (14 pt.)

5. Reference should be given at the end of the text and will be furnished in the following order-Author's Name, Name of the Book, Volume, Page No.

6. Bibliography should be in the following order:

   a. Original work - Manusmrti, ed. by Ganganath Jha, Parimal Publication, Delhi, 2012

   b. Modem work - Altekar, A.S., State and Government in Ancient India, Motilal Banarsidass publications Pvt. Ltd., Delhi, 2005;. Diacritical marks must be given in the hard copy of the original paper.

7. Digital text may be sent through mail to -

   sanskritbbc@gmail.com


a² - b² = (a + b) (a - b)
चलनकलनाभ्यां
गुणकसमुच्चयः
tan x = sin x / cos x
संकलनव्यवकलनाभ्यां
सोपान्त्यद्वयमन्त्यं
Ax² + Bx + C = 0
(आनुरूप्ये) शून्यमन्यत
एकन्यूनेन पूर्वेण
गुणितसमुच्चयः
ऊर्ध्वतिर्यग्भ्यां
π = 3.14159 ...
शून्यं साम्यसमुच्चये
एकाधिकेन पूर्वेण
पूरणापूरणाभ्यां
परावर्त्य योजयेत
शेषाण्यंकेन
यावदूनम